চান্দমামা

জুন ১৯৯২



মৰমৰ এই মিঠা উপহাৰ দিয়েনে কি ভাবি চাওক
প্ৰবাসুৱা হৈ থকা আপোনাৰ চেনেহৰজনে পাওক

চান্দমামা

তেওঁ ভালপোৱা চান্দমামাখন তলত লিখা যিকোনো এটি ভাষাৰপৰা বাছি লওক :
অসমীয়া, হিন্দী. গুজৰাটী, বাংলা, ইংৰাজি, কন্নড়, মালয়ালম্,
মৰাঠি, ওড়িয়া সংস্কৃত, তামিল আৰু তেলুগু
আৰু প্ৰবাসত থাকিও তেওঁক উমাল গৃহসুখৰ উম উপভোগ কৰিবলৈ দিয়ক।

বছৰেকীয়া বৰঙণি

অস্ট্ৰেলিয়া, জাপান, মালয়েছিয়া আৰু শ্ৰীলংকালৈ

জাহাজ-যোগে 105.00 ● উৰাজাহাজ-যোগে 216.00

**ফ্ৰান্স, ছিংগাপুৰ, ইংল্যাণ্ড, আমেৰিকা,
পশ্চিম জাৰ্মানি আৰু অন্যান্য দেশলৈ**

জাহাজ-যোগে 111.00 ● উৰাজাহাজ-যোগে 216.00

আপোনাৰ বৰঙণি বেৰেল ডিমাণ্ড ড্ৰাফ্‌ট্ নাইবা মনি-অৰ্ডাৰ যোগে
চান্দমামা পাবলিকেশ্যনছে পোৱাকৈ পঠাওক :

ছাৰ্কুলেশান মেনেজাৰ **চান্দমামা পাবলিকেশ্যনছ** চান্দমামা বিল্ডিংছ
বড়াপালানি মাদ্ৰাজ-৬০০-০২৬

GET OFF TO A FLYING START *with*

LION
PREMIER® HB PENCILS

Supersmooth for effortless writing. Micronized lead for unbreakable points. Grace the desks of executives and others with style.

LION
PINKY® PENCILS

Perfect classmates. Pretty & Practical. Colourful designs, strongly bonded lead for unbreakable points, give it an edge over the competition.

LION *Gee-flo®* BALLPENS
035 carbine 050 carborite

Tungsten carbide tips.
Made with Swiss technology.
Unbeatable points. Sharp. Smooth. Non-smudging. Race across the page. Choice of red, black and blue refills. Mini-marvels at a marvellous price.

LION PENCILS LTD.
95, Parijat Marine Drive, Bombay 400 002.

BENSON & HEDGES WORLD CUP 1992
OFFICIAL LICENSEE OF THE WORLD CUP

National-766

YOU KNOW HOW THESE GROWN-UPS KEEP TELLING US "DON'T DO THIS" AND "DON'T DO THAT"?
SO HERE'S SOMETHING GROWN-UPS ARE NOT ALLOWED TO DO (HA! HA! HA!)
THEY'RE NOT ALLOWED TO EAT THIS YUMMY NEW JAM FROM VOLFARM
BECAUSE (MMM!) IT S FAR TOO GOOD FOR THEM
STRICTLY FOR KIDS ONLY!
New Volfarm Jam is made just for kids.
So, naturally, it's made just the way kids like it.
With the yummiest, juiciest fruits. (Slurp, slurp!)
Tell all those adults to keep their hands off it!
NOW
Volfarm
Volfarm
Volfarm
JAMS
MIXED FRUIT
PINEAPPLE
Ogilvy&Mather 9661

লৰালিৰ ৰং ধেমালি
মজাই মজা
স্কুলত যে স্ফূৰ্ত্তি কিমান,
নতুন ফেভিক্ৰীল
ষ্টুডেন্টচ পষ্টাৰ কালাৰ্চ
লগাবলৈ যে সহজ ইমান!
চোৱানা, দেখাত ক্ৰীমৰ দৰে
ৰং-বিৰঙী তিৰবিৰোৱা,
পাত সেউজীয়া, সেন্দুৰ ৰঙা,
আকাশী নীলা,
লগতে আছে গাখীৰ বগা !!
ড্ৰয়িং এটা দিয়া আঁকি,
ফটাফট দিয়া ৰং সানি,
নতুন ফেভিক্ৰীল ষ্টুডেন্টচ
পষ্টাৰ কালাৰ্চে
কিমান যে দিয়ে মজা আনি!
বিনামূল্যে
পেইন্ট-এ-পষ্টাৰ
17437,
নতুন
ফেভিক্ৰীল ®
পিডিলাইট
ষ্টুডেন্টচ পষ্টাৰ কালাৰ্চ
STUDENTS' POSTER COLOUR
PIDILITE
Fevicryl
everest/91/PIL/117 as
নাম:
বয়স:
ঠিকনা:
স্কুল:
CDM

চান্দমামা

*

জুন ১৯৯২

এই * আছে

সংখ্যাত

*

পৃথিৱীৰ সংৰক্ষণ	:	৭	চান্দমামা-ক্ৰোড়পত্ৰ	:	৩৩
শান্তিয়নী	:	৯	দশৰথৰ কুটা	:	৩৭
আত্মসৃষ্ট অভিশাপ	:	১১	সূক্ষ্মবুদ্ধি	:	৪১
মায়া মহল	:	১৭	বীৰ হনুমান	:	৪৫
অপূৰ্ব-কাহিনী	:	১৭	সুলতানৰ বুদ্ধি	:	৫৩
কলহৰ কাণ	:	২৫	যি সঁচা ক'ব নাপায়	:	৫৭
ওৰ	:	৩২	উন্নতিৰ শিপা	:	৬০

আৰু—বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য ইত্যাদি।

*

এতিয়া ফটো-নামকৰণৰ পুৰস্কাৰ ১০০ টকা!

চান্দমামা

সংস্থাপক : চক্ৰপাণি   সঞ্চালক : বি নাগিৰেড্ডি

পৃথিৱীৰ সংৰক্ষণৰ বাবে

এই জুন মাহত ৰিঅ' ডি জেনেইৰোত যি বিশ্ব-সন্মিলন পতা হ'ব সমগ্ৰ পৃথিৱীয়েই সেই সন্মিলনৰ ফলাফললৈ সাগ্ৰহে বাট চাই থাকিব। এই বিশ্ব-সন্মিলন পতা হ'ব আমাৰ এই পৃথিৱী নামৰ গ্ৰহৰ সংৰক্ষণৰ বাবে।

সম্ভৱতে আমি 'গ্ল'বাল ৱাৰ্মিং' 'গ্ৰিন হাউছ গ্যাছ অ'মিছনছ' 'অ'জোন হোল্‌ছ' আৰু 'ক্লাইমেট চেঞ্জ' ইত্যাদিৰ বিষয়ে সংবাদ-মাধ্যমৰ যোগে কিছু কিছু জানিছোঁ। যদিও নামবোৰ ভিন্ন ভিন্ন, তথাপি উদ্দেশ্য অভিন্ন, আমাৰ এই পৃথিৱীৰ সংৰক্ষণ।

আমাৰ জীৱন প্ৰাকৃতিক ভাৰসাম্যৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত। কিন্তু বৃক্ষাদিৰ নিৰ্বিচাৰ ধ্বংসকাৰ্য্যই আমাৰ সাৰ্বিক ধ্বংসক মাতি আনিছে—আৰু দ্ৰুতগতিৰে। এটি বৃক্ষ কাটিলে যে দুটি নতুন বৃক্ষ উৎপাদন কৰিব লাগে—সেই কথা জনসাধাৰণক কোৱা হৈছে।

এই কামটি মুঠেই কষ্টসাধ্য নহয়, জনসাধাৰণে যদি তেওঁলোকৰ প্ৰিয়জনৰ নামত এটিকৈ গছৰ পুলি লগায়, এই আবেগেও এই ধ্বংসমুখী পৃথিৱীক সজীৱ কৰি তুলিব পাৰে। এই ক্ষেত্ৰত উত্তৰ প্ৰদেশ চৰকাৰে 'স্মৃতি-বন' নামৰ এটি সুন্দৰ পৰিকল্পনাৰ প্ৰচলন কৰিছে, যাৰদ্বাৰা যাই বনৰ লগত প্ৰতিবেশী-বন সৃষ্টি হৈছে।

এই মহৎ আঁচনি আমিও ৰূপায়িত কৰিব পাৰোঁ।

বছৰ : ১৭   জুন ১৯৯২   সংখ্যা : ৩

বছৰেকীয়া বৰঙণি ৪৮·০০ টকা :: খনে ৪·০০ টকা

চান্দমামা

মাহৰ-পাছত মাহ ধৰি বিভিন্ন ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে
ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ
৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ
এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,
মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপুৰ
১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত
ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

শা ন্তি য় নী

গৃহযুদ্ধৰ অন্তত শান্তি প্ৰতিষ্ঠিত হোৱাটো অতি আনন্দজনক বিষয়। মধ্য আমেৰিকাৰ গণতান্ত্ৰিক দেশ এল ছালভাদৰত শান্তিৰ বা বলিছে। যোৱা বাৰ বছৰকাল ধৰি ছালভাদৰৰ সামৰিক চৰকাৰ আৰু বাঁওপন্থী গেৰিলা-যুঁজাৰুহঁতৰ মাজত যি ভ্ৰাতৃঘাতী গৃহযুদ্ধ চলি আছিল তাৰ পৰিণামত কমেও ৭৫,০০০ মানুহৰ মৃত্যু হ'ল।

প্ৰায় ৪৫০ বছৰৰ আগতে, ছালভাদৰত স্পেনৰ ৰাজত্ব আৰম্ভ হৈছিল—স্থানীয় আজটেক জনসাধাৰণক পৰাস্ত কৰি। কিন্তু ঊনবিংশ শতিকাৰ প্ৰথম কালছোৱাত স্পেনৰ শাসনক ওফৰাই পেলোৱা হৈছিল আৰু ১৮২৩ চনত 'ছেণ্ট্ৰাল আমেৰিকান ফেডাৰেশ্যন'ৰ শাসন প্ৰচলিত হৈছিল। এই ফেডাৰেশ্যনত—গুৱাতেমালা, হণ্ডুৰাছ, নিকাৰাগুআ আৰু কোস্টা ৰিকা আদি দেশ স্বেচ্ছাই সন্মিলিত হৈছিল।

ফেডাৰেশ্যনৰ শাসন ১৫ বছৰলৈ স্থায়ী হৈছিল আৰু তাৰ তিনি বছৰৰ পাছত—অৰ্থাৎ ১৮৩৮ চনত এল ছালভাদৰ স্বাধীন গণৰাজ্য ৰূপে আত্মপ্ৰকাশ কৰিছিল।

এল ছালভাদৰৰ জনসাধাৰণৰ প্ৰধান জীৱিকা খেতি-বাতি। কিন্তু মাটিৰগৰাকী হ'ল এমুঠিমান চহকী খেতিয়ক। এই খেতিয়কখিনিয়ে সাধাৰণ কৃষকৰপৰা অধিকতকৈয়ো অধিক শস্য প্ৰাপ্য হিচাপে জোৰ কৰি আদায় কৰিছিল।

এশ বছৰতকৈও অধিক কালৰ স্বতন্ত্ৰ-শাসনৰ ফলত জনসাধাৰণৰ মাজত বিপুল পৰিৱৰ্তনৰ সৃষ্টি হৈছিল। হাজাৰ হাজাৰ ছালভাদৰীয় মানুহ হণ্ডুৰাছলৈ গৈ বসবাস কৰি থাকিল প্ৰবসুৱা হিচাপে। এই অৱস্থাই দুয়োখন দেশৰ মাজত অঁৰিয়া অঁৰিৰ সৃষ্টি নকৰাকৈ নাছিল। এই কটা ঘাত চেঙা তেল পৰিলঁ — যেতিয়া ছালভাদৰে ফুটবল খেলাত হণ্ডুৰাছক হৰুৱালে—তেতিয়া সেই পৰাজয়ৰেপৰাই যুদ্ধই মূৰ দাঙিলে!

১৯৭২ চনত জেনাৰেল কাৰ্লোচ ৰোমেইৰো ছালভাদৰৰ ৰাষ্ট্ৰপতি নিৰ্বাচিত হ'ল। ৰাষ্ট্ৰপতি ৰোমেইৰোৰ অত্যাচাৰী নীতিৰ ফলত দেশত অশান্তি বিয়পি পৰিল আৰু গেৰিলা-যুদ্ধৰো সেয়ে হ'ল অৱস্তুণী। অপহৰণ, হত্যা আদি নিষ্ঠুৰ কাৰ্য্যকলাপ এক নিত্য-নৈমিত্তিক ঘটনা হৈ উঠিল।

১৯৮০ চনত ৰাজধানী ছান ছালভাদৰৰ প্ৰধান ধৰ্মাধ্যক্ষ অস্কাৰ ৰোমেইৰোক হত্যাৰ মাজেদি গৃহযুদ্ধ লাগি পৰিল।

১৯৮০ চনতে জোছ স্টুআৰ্ট ক ৰাষ্ট্ৰপতি পতা হ'ল. কিন্তু নিৰ্বাচনকালত তেওঁ যিবোৰ প্ৰতিশ্ৰুতি দিছিল, সেইবোৰ প্ৰতিশ্ৰুতি পূৰণ কৰিব নোৱৰাত আৰু লগতে অসুস্থ হৈ পৰাত তেওঁ পদত্যাগ কৰিবলৈ বাধ্য হ'ল।

এই ঘটনাৰ ফলস্বৰূপে হিংসাত্মক ঘটনা সমগ্ৰ দেশত বিয়পি পৰিল।

তাৰ পাছত ১৯৮৯ চনত আলফ্ৰেডো ক্ৰিস্টিয়ানি হ'ল নতুন ৰাষ্ট্ৰপতি। এওঁৰ প্ৰচেষ্টাত সংযুক্ত ৰাষ্ট্ৰসংঘই ছালভাদৰত শান্তি-প্ৰচেষ্টা আৰম্ভ এৰিছিল আৰু পাছত তাৰ সুফলও কিঞ্চিত পোৱা হৈছিল।

এই বছৰৰ ১৬ জানুৱাৰিৰ দিনা ছাল-ভাদৰ-চৰকাৰে বাঁওপন্থী ফৰাবুন্ডো মাৰ্টি ন্যাশ্বন্যাল লিবাৰেশ্যন ফ্ৰন্টৰ (FMLN) বিদ্ৰোহী সকলৰ সৈতে এক বুজাপৰাৰ চুক্তি কৰিলে, যি চুক্তিৰ ফলত শান্তিৰ নতুন বাট মুকলি হ'ল। এই বুজাপৰাৰ চুক্তি ১ ফেব্ৰুয়াৰিৰপৰা কাৰ্য্যকৰ হৈছে। বাৰট্ৰোছ ঘালিয়ে আনন্দৰে কৈছে, "এল ছালভাদৰৰ সুদীৰ্ঘ অন্ধকাৰময় ৰাত্ৰিৰ এইবাৰ অৱসান হ'ব ধৰিছে।"

এই চুক্তিৰ বিশেষ অংশ হ'ল : গেৰিলা সৈন্য প্ৰত্যাহাৰ, সৈন্যসংখ্যা হ্ৰাস, মাটি-সম্পৰ্কীয় সংশোধিত আইনৰ প্ৰচলন।

মেক্সিকোৰপৰা উভতি অহা ছালভদৰৰ বিদ্ৰোহীসকলক 'আমাৰ দেশবাসী' বুলি সম্বোধন কৰি স্বাগত জনোৱা হৈছিল।



আত্মসৃষ্ট অভিশাপ

অনেক প্ৰাচীন কালৰ কথা। এক অটব্য অৰণ্যৰ মাজত নিৰ্বাস নামৰ এগৰাকী অতি ক্ৰোধী মুনি বাস কৰিছিল। তেওঁৰ কাষ চপা লোকসকলৰ মাজত কাৰোবাৰ কিবা কথাত যৎসামান্য ইফাল-সিফাল-হোৱা মাত্ৰেই নিৰ্বাস মুনিৰ অতি উগ্ৰ খং উঠিছিল আৰু তেওঁলোকক অতি সামান্য কথাতো অভিশাপ দিছিল।

এবাৰ সুদীপ নামৰ ৰজা এগৰাকীয়ে মুনিৰ সৈতে কথা পাতি থাকোঁতে সামান্য ভুল কৰাত ৰজা সুদীপক মুনিয়ে ৰাক্ষস হোৱাৰ অভিশাপ দিলে। প্ৰজাকল্যাণকাৰী ৰজা তৎক্ষণাৎ ৰজা গুচি ৰাক্ষস হ'ল আৰু তেওঁ তেওঁৰ নিজৰ ৰাজ্যৰ প্ৰজাক অত্যাচাৰ কৰি থাকিল।

ৰজা সুদীপৰ মহামন্ত্ৰী আছিল সুকাম। ৰজা ৰাক্ষসলৈ ৰূপান্তৰিত হোৱাৰ বাতৰি পাই, মহামন্ত্ৰী সুকাম নিৰ্বাস মুনিৰ ওচৰলৈ গ'ল আৰু বিনয়-বচনেৰে প্ৰাৰ্থনা কৰিলে, "হে মহামুনি মহাত্মা! সুদীপ অতি সৎ ৰজা। তেওঁৰ অবিহনে ৰাজ্যৰ প্ৰজাকুল ব্যথিত। আপোনাৰ অভিশাপত তেওঁ ৰজা গুচি ৰাক্ষস হ'ল আৰু ইমান সৎ ৰজাই তেওঁৰে প্ৰজাবৰ্গক অত্যাচাৰ কৰা হ'ল। হে মহাত্মা, আপোনাৰ এই অভিশাপ কিমানদূৰ যুক্তিসংগত, আপুনিহে জানিব। যি কি নহওক। দয়া কৰি শাপমুক্তিৰ যিকোনো ধৰণৰ উপায় এটা দিয়ক, নহ'লে ৰাজ্য অন্ধকাৰ!"

মুনি নিৰ্বাসে মহামন্ত্ৰীক ক'লে, "এসময়ত ব্ৰহ্মাৰপৰা বৰপ্ৰাপ্ত বহুতো ৰাক্ষসে বহুতকে অত্যাচাৰ কৰিছিল।

'বসুন্ধৰা'

তেনেহ'লে—ব্ৰহ্মায়ো ভুল কৰিছিল বা অযুক্তিকৰ কাৰ্য্য কৰিছিল বুলি ক'বানে? মানৱ কৰ্মফল ভোগ কৰাৰ সময়ৰ তেতিয়া উপস্থিত হয়, তেতিয়া ভগৱন্তই ৰাক্ষসকো বৰদান কৰা হয়। ঠিক তেনেকৈয়েই মুনি ঋষিহঁতে মানুহক অভিশাপ দিয়া হয়। এইবোৰ কথা-কাণ্ডত মই বা এই জগতৰ যেইকোনো নিমিত্তমাত্ৰ। তোমাক, মোক আৰু অন্য সবকে চলাওঁতা-নিয়ন্ত্ৰণ কৰোঁতা ওপৰতহে আছে।"

"হে মহাত্মা! আপোনাৰ কথা সত্য। এই দেশৰ প্ৰজাহঁতৰ কৰ্মফল ভোগাৰ দিন হয়তো বাস্তৱিকেই সমুপস্থিত। তথাপি—ৰজাক শাপমুক্ত কৰিবলৈ কিবা উপায় নিদিয়ে যদি—ৰাজ্য আৰু ৰাইজ একেবাৰে বিধ্বংস হ'ব।" মহামন্ত্ৰী সুকামে নিবেদিলে।

এইকথাত — নিৰ্বাস মুনি কিছু কুমলিল। তেওঁ মহামন্ত্ৰী সুকামলৈ করুণাৰ দৃষ্টিৰে চাই ক'লে, "শুনা, ইয়াৰপৰা এযোজন অৰ্থাৎ চাৰি ক্ৰোশ দক্ষিণ দিশলৈ গ'লে এক কালী-মন্দিৰ পাবা। সেই মন্দিৰৰ কালী গোসাঁনী অতি জাগ্ৰতা। তুমি তোমাৰ দেহৰ আটাইতকৈ প্ৰিয় অংগটো কালী-গোসাঁনীক অৰ্পিবা, আৰু তেতিয়া তোমাৰ এই সৎ মনোবাসনা অৱশ্যেই পূৰ হ'ব।"

মহামন্ত্ৰী সুকাম তেতিয়াই কালী-মন্দিৰলৈ গ'ল আৰু মহাকালীৰ ভয়ংকৰী মূৰ্ত্তিৰ আগত কৰযোৰে থিয় হৈ ক'লে, "হে জগৎমাতা! দয়া কৰি মহাৰাজ সুদীপক তেওঁৰ মানৱৰূপ ঘুৰাই দিয়া। মই তোমাৰ পৰিতুষ্টিৰ অৰ্থে মোৰ দেহৰ আটাইতকৈ মৰমৰ অংগ মস্তক তোমালৈ অৰ্পিছোঁ, হে আই—!" এই বুলি কৈ, তৰোৱালেৰে নিজেই নিজৰ শিৰশ্চেদ কৰিবলৈ সুকাম সাজু হ'ল।

অকস্মাৎ মন্দিৰত এক দিব্যজ্যোতি প্ৰকাশিত হ'ল আৰু সেই সুতীব্ৰ জ্যোতি

সহিব নোৱাৰি মহামন্ত্ৰী সুকামে চকু মুদিবলৈ বাধ্য হ'ল। তেওঁ শুনিলে: মানৱ! তোমাৰ সাহস আৰু শক্তি-ভক্তিৰে মই অতি তুষ্ট হৈছোঁ। তোমাৰ প্ৰাৰ্থনা মই পূৰাম। তুমি এতিয়াই ৰাজধানীলৈ উভতি যোৱা আৰু তাৰ পাছত—যিমান শীঘ্ৰ সম্ভৱ সহস্ৰ পৃষ্ঠীয়া গ্ৰন্থ এখন লিখাঁ। এই গ্ৰন্থ যিজনে পাঠ কৰিব—মাজত ক'তো নোৰোৱাকৈ পাঠ কৰিব, শুনোতাই নোৰোৱাকৈ শুনিব লাগিব, তেহে কৰ্মফলৰপৰা মুক্তি হ'ব। এই গ্ৰন্থৰ নাম হওক 'শাস্ত্ৰ'। তুমি ৰজাক শাস্ত্ৰ শুনাবা, ৰজাই শুনিব, মুক্তি পাব।"

সুকামে বিভ্ৰান্তৰ দৰে ক'লে, "হে মাতা! মই ৰাজনীতিৰ সৈতে সম্পৰ্কিত অনেক গ্ৰন্থ পাঠ কৰিছোঁ, কেতিয়াবা প্ৰয়োজন হ'ব পাৰে বুলি ভাবি বৈদ্যশাস্ত্ৰও কিঞ্চিত অধ্যয়ন কৰিছোঁ। কিন্তু সাহিত্যলৈ কোনোদিনে মোৰ আকৰ্ষণো হোৱা নাই, আৰু সাহিত্য কাক বোলে তাকো জনা নাই। তেনেস্থলত—মইনো কেনেকৈ গ্ৰন্থ লিখি উলিয়াম?"

"কথা যেনেকৈ কোৱা, ঠিক তেনেকৈ সহজবোধ্যকৈ লিখিবা। এনেকৈ লিখিবা—যাতে ল'ৰা-বুঢ়া সকলোৱে সহজভাৱে ল'ব পাৰে, বুজিব পাৰে। তোমাৰ লিখিত সেই কথা-শাস্ত্ৰৰেই মানৱৰ শাপমুক্তি হ'ব। এয়ে মোৰ বৰদান।" সুকামে

দৈৰবাণীৰ দৰে এই কথা শুনিলে।

তাৰ পাছত সুকাম ৰাজধানীলৈ উভতি আহিল। দিনে-নিশাই শ্ৰম কৰি সহস্ৰ-পৃষ্ঠীয়া গ্ৰন্থ এখন লিখি উলিয়ালে। তাৰ পাছত সেইখন গ্ৰন্থৰে সৈতে মহাৰাজ সুদীপক বিচাৰি ওলাল তেওঁ।

গৈ গৈ এঠাইত ৰাক্ষসৰূপী ৰজাক মহামন্ত্ৰী সুকামে দেখা পালে। ৰাক্ষসৰূপী ৰজাই এডেও ছুডেওকৈ সুকামৰ পিনে আগুৱাই আহিব ধৰাত সুকামে ৰজাই শুনিব পোৱাকৈ সেই গ্ৰন্থ একালৰপৰা চিঞৰি চিঞৰি পঢ়িবলৈ ধৰিলে।

ৰাক্ষসৰূপী ৰজাই মন্ত্ৰমুগ্ধৰ দৰে অলৰ অচৰভাৱে থিয় হৈ গ্ৰন্থপাঠ শুনি থাকিল। মহামন্ত্ৰী সুকামে একেৰাহে সেই সহস্ৰ পৃষ্ঠীয়া গ্ৰন্থ পঢ়ি থাকিল।

যেতিয়া শেষ পৃষ্ঠাখনো পাঠ কৰা শেষ হ'ল, তেতিয়াই ৰাক্ষসৰূপী ৰজা ৰাক্ষস গুচি স্বাভাৱিক হৈ পৰিল।

তাৰ পাছত মহাৰাজ আৰু মহামন্ত্ৰী ৰাজপ্ৰাসাদলৈ গ'ল। মহাৰাজে ক'লে, "মহামন্ত্ৰী, আপোনাৰ লিখিত গ্ৰন্থ অতি বিস্ময়কৰ। এই গ্ৰন্থৰ অনুলিপি লিখি আৰু সকলোতে সেই গ্ৰন্থৰ প্ৰচাৰ কৰি আমাক আনন্দ দান কৰক।"

মহামন্ত্ৰী সুকামে ক'লে, "মহাৰাজ! প্ৰকৃতপক্ষে—গ্ৰন্থ ৰচাৰ ক্ষমতা মোৰ নাই। মাত্ৰ আপোনাক শাপমুক্ত কৰিবলৈহে এই গ্ৰন্থ লিখিবলৈ বাধ্য হৈছিলোঁ। মই শাসনকাৰ্য্যতে আপোনাক সহায়তা কৰিমনে গ্ৰন্থ লিখিম, মহাৰাজ।"

তেতিয়া মহাৰাজে সেই সদ্‌গ্ৰন্থৰ অনুলিপি কৰি প্ৰচাৰ কৰিবলৈ ৰাজসভাৰ কবি-পণ্ডিতবৰ্গক ক'লে।

সুকাম-ৰচিত গ্ৰন্থ পাঠ কৰি ৰাজসভাৰ কবি-পণ্ডিতবৰ্গই একবাক্যে ৰজাক ক'লে, "মহাৰাজ, কেৱল আমিয়েই নহওঁ, সৰস্বতীৰ উপাসক কোনো ব্যক্তিয়েই এনেকুৱা অপ্ৰয়োজনীয় গ্ৰন্থৰ অনুলিপি

লিখিবলৈ কদাপি স্বীকৃত নহ'ব।

এই কথা শুনি মহাৰাজ সুদীপ ক্রুদ্ধ হৈ উঠিল।

মহাৰাজে মহামন্ত্রী সুকাম-ৰচিত গ্রন্থৰ হাজাৰ হাজাৰ অনুলিপি কৰাই সেইবোৰ প্রজাবর্গৰ মাজত বিলাই দিবলৈ ক'লে। মাত্র ইমানেই নহয়, এই গ্রন্থৰ অনুলিপিকাৰীক এহোজৰকৈ মুদ্রাৰে পুৰস্কৃত কৰিব বুলিও ঘোষণা কৰিলে।

কোনো সাহিত্যপ্রিয় মানুহ এহেজাৰ মুদ্রাৰ লোভত নপৰিল, যদিও আন কিছুমানে অনুলিপি কৰিলে, আৰু এইদৰে হাজাৰ হাজাৰ গ্রন্থ লিখি উলিয়ালে। ৰাজ্যৰ সাধাৰণ প্রজাবর্গয়ো এই গ্রন্থ পাঠ কৰি ভালেই পালে।

এইদৰে কিছু কাল উকলিল। সেই ৰাজ্যত কবি-পণ্ডিতৰ আদৰ নোহোৱা হ'ল। কবি-পণ্ডিতসকলে একগোট হৈ তেওঁলোকৰ প্রতি ৰাজকীয় অৱহেলাৰ প্রতিকাৰ বিচাৰি নির্বাস মহামুনিৰ কাষ চাপিব বুলি স্থিৰ কৰিলে।

এগৰাকী পণ্ডিতে ক'লে,—"নির্বাস মুনি হ'ল মহাক্রোধী। শুনিয়েই যদি আমাক শাপ-টাপ দিয়ে—তেতিয়া ?"

"তেতিয়াও ভালেই হ'ব। এনেকুৱা ৰাজকীয় অবিচাৰ সহি নিবোকা হৈ থকাতকৈ নির্বাস মুনিৰ অভিশাপও ভাল।" আন এজনে ক'লে।

যি কি নহওক—সুকামৰ গ্ৰন্থ লৈ এওঁলোক মহামুনি নিৰ্বাসৰ কাষ চাপিল।

সেই সময়ছোৱাত ধ্যানমগ্ন হৈ থকা নিৰ্বাস মুনিৰ ধ্যানভংগ হ'ল। কিন্তু মুনি নিৰ্বাস ক্ৰুদ্ধ নহ'ল। এওঁলোকলৈ প্ৰসন্ন দৃষ্টিৰে চাই তেওঁ ক'লে, "তোমালোকৰ আগমনৰ হেতু মই জানিলোঁ। আৰু সুকামৰ গ্ৰন্থৰ কথাও দিব্যদৃষ্টিৰে জ্ঞাত হ'লোঁ। মই মোক্ষৰ কাৰণে বিগত বহু বৰ্ষ ধৰি জপ-তপ কৰি থাকিলোঁ। কিন্তু মই ক্ৰোধ ৰিপুক একোপধ্যে জয় কৰিব নোৱৰাত মোৰ মোক্ষ প্ৰাপ্তি নহ'ল। মই কিছুমানক তেওঁলোকৰ কৰ্মফল ভোগ কৰোৱাবলৈ অভিশাপ দিছিলোঁ, ঠিক। কিন্তু কালক্ৰমে মই ক্ৰোধমুক্ত হ'লোঁ। এতিয়াহে বুলি পালোঁ—মোৰ ক্ৰোধমুক্ত হোৱাৰ হেতু হ'ল সুকামৰ এই গ্ৰন্থ।"

"কেনেকৈনো, মহামুনি—? কৃপা কৰি এই কথাটো আমাক বুজাই কওক।"

তেতিয়া মৃদুকৈ হাঁহি মাৰি নিৰ্বাস মুনিয়ে ক'লে, "তোমালোক হ'লা পণ্ডিত মানুহ, থোৰতেই ওৰ ল'ব পাৰিবা। সুকামৰ এই গ্ৰন্থ শ্ৰৱণ কৰি ৰজা সুদীপ ৰাক্ষস গুচি পুনৰ ৰজা হ'ল। এই গ্ৰন্থকে ৰজা সুদীপে শাস্ত্ৰগ্ৰন্থৰূপে জনসাধাৰণৰ মাজত প্ৰচাৰ কৰা হ'ল। এতিয়াৰপৰা আৰু মুনি-ঋষি সকলৰ শাপ-অভিশাপৰ প্ৰয়োজন নহ'ব, সেই শাপ-অভিশাপ মানুহে শাস্ত্ৰগ্ৰন্থ পঢ়ি, বা শুনি—নিজে শুনি, বা আনৰ কাণেৰে শুনিও ভোগ কৰিব পাৰিব। অৰ্থাৎ — জনজীৱনত নতুনকৈ প্ৰচলিত মহামন্ত্ৰ সুকাম-ৰচিত এই শাস্ত্ৰ-গ্ৰন্থয়েই হৈ উঠিব মানুহৰ আত্মসৃষ্ট অভিশাপ।"

ঠিক তেতিয়াই আকাশৰপৰা এখন দিব্যৰথ নামি আহিল, আৰু দেৱদূত কেইজনমানে মোক্ষপ্ৰাপ্ত নিৰ্বাস মুনিক ৰথোপৰি উঠাই স্বৰ্গলৈ লৈ গ'ল।



মায়া মহল

বীৰগিৰি ৰাজ্যত তেতিয়া উৎসৱৰ সমাৰোহ। সমগ্ৰ ৰাজ্যৰ ইমূৰৰপৰা সিমূৰলৈ আনন্দৰ জোৱাৰ। ৰাজকুঁৱৰী বিদ্যাৱতীৰ জন্মদিন পালনৰ আনন্দ। চাৰিওফালে উখল-মাখল। আৰু মাত্ৰ তিনি সপ্তাহ আছেগৈ এই জন্মদিনৰ উছৱৰ ধুমধামলৈ। এই উছৱৰ প্ৰধান কাৰ্য্যক্ৰম হ'ল—ৰাজকুঁৱৰীয়ে আত্মীয়-স্বজন পৰিবৃত হৈ মন্দিৰলৈ যাব আৰু কুলদেৱীৰ উপাসনা কৰিব, আৰু তাৰ পাছত জন-সাধাৰণৰ দৰ্শনাৰ্থে ৰাজ-কুঁৱৰীয়ে ৰাজআলিয়েদি গৈ থাকিব ৰাজপ্ৰাসাদলৈকে, সেই কাৰণে এতিয়াৰে-পৰাই ৰাজআলি চাফ-চিকুণ কৰাৰ উপৰিও নানান বিচিত্ৰ ৰঙেৰে ফুল-পাতেৰে সজোৱাৰ কাম আৰম্ভ কৰা হৈছে। ৰাজ্যৰ আপামৰ প্ৰজাৰ মনত—ল'ৰা-বুঢ়া ডোকাগাভৰু জীয়াৰী-বোৱাৰীহঁতৰ মনত অজি—কেৱল উৎসৱৰ আমেজ—ৰাজকুঁৱৰীক দৰ্শনৰ আবেগ।

কিন্তু প্ৰজাবৰ্গৰ ইমান আনন্দ হঠাৎ যেনিবা ফুৎকাৰে নোহোৱা হ'ল। হঠাৎ শুনা গ'ল: ৰাজকুঁৱৰী অসুস্থ। সমগ্ৰ ৰাজ্যত ঘোষণা কৰা হ'ল: এই বছৰ ৰাজকুঁৱৰী অকস্মাৎ অসুস্থ হৈ পৰাত জন্ম-দিনৰ উৎসৱ স্থগিত থাকিল।

ৰাজকুঁৱৰী অসুস্থ হৈ পৰাত মহাৰজা বীৰসেন আৰু মহাৰাণী বিনীতাদেৱী

ৰাজবৈদ্য আহিল, আৰু আহি তেওঁ ৰাজকুঁৱৰীক অতি ভালকৈ পৰীক্ষা কৰি চোৱাৰ অন্তত এই কথা ভাবি অত্যন্ত বিস্মিত হ'ল যে—ৰাজকুঁৱৰীৰ দেহত কোনোবিধৰ ৰোগ-লক্ষণ! নাই—অথচ ৰাজকুঁৱৰী গুৰুতৰ অসুস্থ শয্যাৰপৰা মূৰ দাঙিবই নোৱৰা অৱস্থা! কেনেকৈনো এনে অৱস্থা হ'ল? কথাটো ৰাজবৈদ্যই একোপধ্যে ভাবি উলিয়াব নোৱাৰি মহাৰাজক ক'লে, "মহাৰাজ! মই এতিয়াই ৰাজকুঁৱৰীক কোনো ঔষধ নিদিওঁ। ৰাজকুঁৱৰী পূৰ্ণ বিশ্ৰামত থাকক। কালিলৈ আকৌ পৰীক্ষা কৰিম, আৰু লাগিলে তেতিয়া ঔষধাদি দিম।"

মহাৰাজে মৌনভাবে ৰাজবৈদ্যৰ কথা মানি ল'লে আৰু ৰাজবৈদ্যই গুচি যোৱাৰ আগতে ৰাজকুঁৱৰীক কেৱল ফলৰ ৰস পথ্য হিচাপে খুৱাবলৈ কৈ গ'ল।

মহাৰাণী বিনীতাদেৱী শুই আছিল। হঠাৎ তেওঁ তেওঁৰ দেহত এক অতি শীতল স্পৰ্শ অনুভৱ কৰিলে। মহাৰাণীয়ে তৎক্ষণাৎ চকু মেলি চালে—আৰু তেওঁৰ শয়নকক্ষৰপৰা বগাকৈ কিবা যেন এটা ওলাই যোৱা দেখা পালে। মহাৰাণীয়ে ভাবিলে: নিশ্চয় মই ভুলহে দেখিলোঁ। এই কথা ভাবি তেওঁ আকৌ চকু মুদিলে।

বিষাদাচ্ছন্ন হৈ পৰিল। ৰাজকুঁৱৰী বিদ্যাৱতী তেওঁলোকৰ হিয়াৰ আমঠু।

ঘটনাৰ কথা শুনামাত্ৰেই মহাৰাণী বিনীতাদেৱী ৰাজকুঁৱৰীৰ শয়ন কক্ষলৈ লৰি আহিছিল আৰু জীয়েকলৈ গভীৰ দৃষ্টিৰে চাইছিল। ৰাজকুঁৱৰী বিদ্যাৱতী তেতিয়া শেঁতা পৰি গৈছিল আৰু বহু দিন ধৰি বেমাৰত পৰি থকা যেন লাগিছিল।

চাওঁতে চাওঁতে মহাৰাজ বীৰসেনও উপস্থিত হ'লহি। তেওঁ ৰোগজীৰ্ণ যেন জীয়েকলৈ চাই কঁপি উঠিল। মাত্ৰ এটা দিনৰ আগলৈকো সুস্থ হৈ থকা জীয়েকলৈ চাই মহাৰাজ অত্যন্ত বিভ্ৰান্ত হৈ পৰিল।

কিন্তু আকৌ—আকৌ অলপ সময়ৰ পাছত সেই হিমশীতল স্পৰ্শ অনুভৱ কৰিলে তেওঁ। এইবাৰ মহাৰাণী—উচপ খাই উঠিল আৰু মহাৰাজক টোপনিৰপৰা জগাই কথাটো ক'লে।

মহাৰাণীৰ কথাখিনি শুনি মহাৰাজে ক'লে, "তুমি বোধকৰোঁ বিদ্যাৱতীৰ কথা চিন্তা কৰি কৰি কিবা দুঃসপোনহে দেখিলা। কিন্তু আমাৰ কোনো বিপদৰ সম্ভাৱনা মই দেখা নাই। তুমি নিঃচিন্তে নিদ্ৰা দিয়া।"

তৃতীয় দিনা ৰাতি পুৱাৰ লগে লগেই ৰাজবৈদ্য আহিল। তেওঁ পুনৰ ভালকৈ পৰীক্ষা-নিৰীক্ষা কৰিলে ৰাজকুঁৱৰীক। কিন্তু—আগৰ দৰেই—ৰাজকুঁৱৰীৰ বেমাৰ যে কি—তাৰ উৰাদিহ উলিয়াব নোৱাৰিলে। তেওঁ ভাবি-চিন্তি ৰাজকুঁৱৰীৰ বাবে বলবৰ্দ্ধক দৰবৰ বন্দৱস্ত কৰি গুচি গ'ল।

যেতিয়া প্ৰজাবৰ্গই এইবাৰ ৰাজকুঁৱৰীৰ জন্মদিনৰ উৎসৱ নহ'ব বুলি জানিলে, তেতিয়া সমগ্ৰ ৰাজ্যত বিষাদৰ ছাঁ বিয়পি পৰিল। যোৱা পোন্ধৰ বছৰতো এনেকুৱা অঘটন হোৱা নাছিল। প্ৰতি বছৰ এই জন্মোৎসৱৰ দিনা প্ৰজাবৰ্গই ৰাজআলিৰ দুয়ো কাষত থিয় হৈ ৰাজকুঁৱৰীক অভিনন্দিত কৰিছিল। সেইহে, প্ৰজাবৰ্গ ৰাজপ্ৰাসাদৰ সমুখত নতুন কিবা খবৰৰ তথা ৰাজকুঁৱৰীৰ ৰোগমুক্তিৰ খবৰৰ আশাৰে বৈ থাকিল। ৰাজপ্ৰাসাদৰ কৰ্মী আৰু প্ৰহৰীহঁতৰপৰা প্ৰজাই খা-খবৰ পাই আছিল।

ৰাজকুঁৱৰীৰ জন্মদিনৰ আগ দিনা ৰাজপ্ৰাসাদৰপৰা ওলাই অহা প্ৰহৰী এজনে ক'লেহি, "ৰাজকুমাৰীয়ে আগতকৈ অলপ ভাল পাইছে, তেওঁ লাহে-ধীৰে চেষ্টা কৰি শয্যাৰ ওপৰত বহিব পৰা হৈছে। তেওঁৰ জন্মদিনত, ৰাইজে—ৰাজ্যৰ মন্দিৰে মন্দিৰে পূজা আগ কৰে



যদি—মহাৰাজ-মহাৰাণীয়ে ভাল পাব। আমাৰ প্ৰধান জ্যোতিষাচাৰ্য্য বাচস্পতি মহোদয়ৰ পৰামৰ্শক্ৰমেই এই কাৰ্যক্ৰম স্থিৰীকৃত হ'ব বুলি মহাৰাজে কৈছে।"

এই কথাত প্ৰজাবৰ্গয়ো ভাল পালে। সকলোটি ঘৰা-ঘৰি গুচি গ'ল। আৰু—

আৰু পাছদিনা ঠিক ধলপুৱাৰেপৰাই মন্দিৰে মন্দিৰে ৰাইজে পূজা আগ কৰি থাকিল ৰাইজৰ মৰমৰ ৰাজকুঁৱৰীৰ নামত।

*

প্ৰধান ৰাজ-জ্যোতিষাচাৰ্য্য বাচস্পতি মহোদয়ে ৰাজকুঁৱৰীৰ জন্মকুণ্ডলী তথা কোষ্ঠী বিচাৰ কৰি মহাৰাজক ক'লে, "মহাৰাজ! ৰাজকুমাৰীৰ কোষ্ঠী প্ৰস্তুত কৰোঁতে তেওঁৰ ষোল বছৰ বয়সত কিঞ্চিত বিপদৰ আশংকা থকা বুলি কোৱা নাছিলোঁনে তেতিয়া?"

"হয়, আচাৰ্য্য, কৈছিল। কিন্তু আমি সেই কথা সমূলি পাহৰি আছিলোঁ। সৰুকালৰেপৰা বিদ্যাৱতী কদাপি অসুস্থ নোহোৱাত সেই কথা ভুলে-পাহৰণেও মনত পৰা নাছিল আমাৰ। কিন্তু—আমাৰ ৰাজবৈদ্য মহোদয়ে বিদ্যাৱতীৰ দেহত কোনো ধৰণৰ ৰোগ-ব্যাধিৰ লক্ষণ বিচাৰি পোৱা নাই। তথাপি যে কিয় এই অৱস্থা হ'ল।" মহাৰাজে বৈ দিলে।

তাতেই বৈ থকা মহাৰাণী বিনীতা দেৱীয়ে সুধিলে, "আজি বিদ্যাৰ জন্মদিন। আমাৰ প্ৰজাবৰ্গৰ বাবে এই দিনটোৱেই হ'ল বছৰটোৰ উল্লেখযোগ্য উৎসৱৰ দিন। বিদ্যাই এই মুহূৰ্তত তাইৰ স্বাস্থ্য ঘূৰাই পোৱাৰ কিবা উপায় আছেনে, আচাৰ্য্য?"

জ্যোতিষাচাৰ্য্য বাচস্পতিয়ে গভীৰ ভাবে ৰাজকুঁৱৰীৰ কোষ্ঠী পৰীক্ষা কৰি আছিল। তেওঁ বিভিন্ন ভাবে হিচাপ কৰি সেই অনুসাৰে বিগত প্ৰায় এবছৰৰেপৰাই কিছুমান গ্ৰহই ৰাজকুমাৰীৰ ওপৰত অশুভ প্ৰভাৱ বিস্তাৰ কৰা দেখা পালে ৰাজকুমাৰীৰ এই অৱস্থা



হৈছে। এই অৱস্থা শেষ হ'বলৈ এতিয়াও এঘাৰ মাহ এঘাৰ দিন আছে। তাৰ পাছত ৰাজকুঁৱৰীয়ে পুনৰ আগৰ স্বাস্থ্য তথা মনৰ স্ফূৰ্তি ঘূৰাই পাব। গতিকে—এই এঘাৰ মাহ এঘাৰ দিন—ৰাজকুমাৰীক বিশেষভাৱে ৰক্ষা কৰা আৱশ্যক। ৰক্ষা কৰাৰ অন্যতম উপায় হ'ল—ৰাজকুমাৰীৰ বাবে স্থান-পৰিৱৰ্তন ”

“বিদ্যাৰ এই প্ৰকাৰৰ শাৰীৰিক অৱস্থাত কেনেকৈনো তাইক অন্য ঠাইলৈ পঠাম ? তাইক এৰি আমিয়েইবা থাকিম কেনেকৈ ?” মহাৰাণীয়ে সুধিলে।

জ্যোতিষাচাৰ্য্যই মহাৰাণীৰ এই কথাৰ কোনো ধৰণৰ উত্তৰ নিদিয়া হ'ল।

অলপ সময়ৰ বাবে সকলোটিয়েই মৌন হৈ থাকিল। তেতিয়া মহাৰাজে কৈ উঠিল, “আমাৰ ৰাজধানীৰ গা-তে লগা সাৰস সৰোৱৰ আছে, আৰু সেই সাৰস সৰোবৰৰ সোঁমাজত আছে এটি দ্বীপ। এই দ্বীপত আমাৰ গ্ৰীষ্মনিবাস আছে। বিদ্যাৰতীক যদি অন্য ঠাইত ৰাখিব লাগেই—তাত থাকিলে হ'বনে, আচাৰ্য্য ? তাত থাকে যদি—আমিও তাইৰ ওচৰলৈ অহা-যোৱা কৰিব পাৰিম।”

“সাৰস সৰোবৰ ইয়াৰপৰা অগ্নি-কোণত অৱস্থিত — নহয় জানো ?” বাচস্পতিয়ে আৰু অলপ গণনাৰ অন্তত মহাৰাজক সুধিলে।

“হয়।” মহাৰাজে ক'লে।

“তেনেহ'লে—তাতেই ৰাজকুমাৰীক পঠাব পাৰিব। কিন্তু এটা কথা। ৰাজকুমাৰী তাত অকলশৰেহে থাকিব লাগিব। বিশেষকৈ—পিতৃ-মাতৃৰ উপস্থিতি অৱশ্যেই ৰাজকুমাৰীৰ পক্ষে শুভপ্ৰদ নহ'ব। যদিও—ৰাজকুমাৰীৰ লগত পৰিচাৰিকা এজনী থাকিব পাৰিব। ৰাজকুমাৰীৰ বাবে খোৱাবস্তু ৰাজ-প্ৰাসাদৰপৰা পঠাব পৰা যাব। পুত্ৰীৰ মংগলৰ বাবে পিতৃ-মাতৃয়ে এই সাময়িক



বিচ্ছেদ মানি নল'লে গ্ৰহবোৰে কুপিত হৈ ভয়ংকৰ অৱস্থাৰ সৃষ্টি কৰিব পাৰে। এঘাৰ মাহ এঘাৰ দিনৰ অন্তত ৰাজকুমাৰীয়ে পুনৰ পূৰ্বাৱস্থা ঘূৰাই পাব, আৰু তেতিয়া ৰাজকুমাৰীৰ বিবাহ পত্তাটো মংগলকৰ হ'ব। ঈশ্বৰৰ কৃপাত সকলো সুকলমে সম্পন্ন হয় যদি—চিন্তা কৰিবলগীয়া একো নাথাকিব। মই ইয়ালৈ আহি থাকোঁতে বাটত জগৎপতি মহাচাৰ্যাৰ সাক্ষাৎ লভিছিলোঁ। তেওঁৰ সৈতে আলাপ-আলোচনা কৰি শুভ ক্ষণ নিৰ্দ্ধাৰণ কৰিম—যি শুভক্ষণত মাহেকত এবাৰকৈ আপোনালোকে ৰাজকুমাৰীক চাই আহিব পাৰিব।" এই বুলি কৈ, জ্যোতিষাচাৰ্য্য বাচস্পতি গুচি গ'ল।

তাৰ পাছত সাৰস সৰোবৰৰ সোঁমাজত থকা নিৰ্জন দ্বীপত কৰ্মকাণ্ড আৰম্ভ হ'ল। সেই দ্বীপত থকা গ্ৰীষ্মনিবাসত ৰাজকুঁৱৰীৰ থকা-মেলাৰ বাবে যাৱতীয় সুবন্দৱস্ত কৰা হ'ল। মহাৰাণীৰ নিজস্ব পৰিচাৰিকা—বৃদ্ধা কমলাবাঈকে ৰাজকুঁৱৰীৰ লগত পঠোৱা হ'ল। কমলাবাঈ আছিল আজন্ম-বিশ্বস্ত পৰিচাৰিকা। ৰাজকুঁৱৰীৰ বাবে আহাৰ্য্য দি আহিবলৈ ছজনী লিগিৰীক নিয়োজিত কৰা হ'ল। এই ছজনীৰ মাজৰপৰা ছজনীয়েহে প্ৰতিদিন ৰাজকুঁৱৰীৰ বাবে আহাৰ্য্য কঢ়িয়াই লৈ যাব। ৰাজকুঁৱৰীৰ সৈতে সাৰস সৰোবৰৰ দ্বীপত থাকিব কেৱল বৃদ্ধা কমলাবাঈ।

জ্যোতিষাচাৰ্য্যৰ পৰামৰ্শমতে, ঠিক মাজনিশা, ৰাজকুঁৱৰী বিদ্যাৱতীক দোলাত উঠাই ৰাজপ্ৰাসাদৰপৰা সাৰস সৰোবৰলৈ পঠোৱা হ'ল। মহাৰাজ-মহাৰাণী কেৱল ৰাজপ্ৰাসাদৰ প্ৰধান তোৰণদ্বাৰলৈকে আহিল। তাৰ পাছত তেওঁলোক আৰু আগ নাবাঢ়িল।

সাৰস সৰোবৰৰ পাৰত ৰাজকুঁৱৰীক দোলাৰপৰা নমাই নাৱত উঠোৱা হ'ল। কেৱল ৰাজকুঁৱৰী আৰু কমলাবাঈকে


RAZI

নাৱত বহুৱাই লৈ নাৰৰীয়াই নাও এৰি দিলে আৰু দ্বীপৰ গ্ৰীষ্মনিবাসৰ কাষত নমাই দি পুনৰ নাওখন ইপাৰলৈ গুচি আহিল। নাৱৰীয়াই তাত বৈ থকা লিগিৰী দুজনীক ৰাজকুঁৱৰীৰ নিৰাপদ যাত্ৰাৰ তথা নিৰাপদে গ্ৰীষ্মনিবাস পোৱাৰ কথা বুজাই কৈ দিলে।

নিজ-পুত্ৰীৰপৰা এইদৰে বিচ্ছিন্ন হৈ মহাৰাজ-মহাৰাণী শোকগ্ৰস্ত হৈ পৰিল। তেওঁলোকে পৰস্পৰক এই বুলি সান্ত্বনা দি থাকিল যে—মাহেকত এবাৰকৈ হ'লেও তেওঁলোকে নিজ-পুত্ৰীক চাই আহিব পাৰিব, যদিও চাবলৈ যোৱাৰ দিন-ক্ষণ এতিয়াও জানিবলৈ আছে। কিয়নো জগৎপতি মহাচাৰ্য্যৰপৰা সেই বিশেষ দিন-ক্ষণ জানি লৈ জ্যোতিষাচাৰ্য্য বাচস্পতিয়ে এতিয়াও কোৱাহি নাই।

ৰাজকুঁৱৰীৰ শৰীৰ-স্বাস্থ্যৰ বিষয়ে তথা অহা জন্মদিনৰ বিষয়ে প্ৰজাবৰ্গক বুজাই ক'বলৈ মহাৰাজে ৰাজ্যৰ চাৰিওফালে ঘোষণাকাৰীঠকক পঠালে। ঘোষণা কৰা হ'ল যে—অহা বছৰত ৰাজকুঁৱৰীৰ জন্মোৎসৱ অপাৰ সমাৰোহেৰে পালন কৰা হ'ব। গতিকে—এইবাৰৰ অথন্তৰত বিষাদিত হোৱা প্ৰজাসকলে এতিয়া নিজ নিজ কামত মনোনিবেশ কৰিব লাগে। নহ'লে—ৰাজ্যৰ অত্যন্ত অনিষ্ট হ'ব।

এই ঘোষণাই গুণ দিলে। সমগ্ৰ ৰাজ্যত পুনৰ শান্তিৰ বা' বলিল। সকলোৰে হিয়া-মন জুৰ পৰিল।

কিন্তু অকস্মাৎ এদিন বজ্ৰপাত হ'ল! অকস্মাৎ এদিন বাতৰি আহিল: সাৰস সৰোবৰৰ গ্ৰীষ্ম নিবাসৰপৰা ৰাজকুঁৱৰী বিদ্যাৱতী নোহোৱা হ'ল!

এই ভয়াবহ দুঃসংবাদ শুনি মহাৰাজ-মহাৰাণী প্ৰস্তৰবৎ হৈ পৰিল, তেওঁলোক বিভ্ৰান্ত-বিবুধ হৈ পৰিল। সমগ্ৰ ৰাজ্যখনেই স্তব্ধ-বিমূঢ় হৈ পৰিল। [অহা সংখ্যাত



কলহৰ কাণ

আঁকো-গজা ৰজা বিক্রম অলপো নদমি পুনৰ সেই গছজোপাৰপৰা মৃতদেহটো নমাই আনি পথালিকৈ কান্ধত পেলাই নৈঃশব্দে ঘোপমৰা এন্ধাৰৰ মাজেদি মৰিশলিলৈ গৈ থাকোঁতে হঠাৎ মৃতদেহটো লৰিচৰি উঠিল আৰু মৃতদেহৰ মাজৰপৰা বেতালে কৈ উঠিল, “হে ৰজা বিক্রম! তোমাৰ এই ধৈৰ্য্য তথা সাহস অতীব প্রশংসনীয়। কিন্তু সাহসৰ সৈতে সঠিক লক্ষ্য, বুদ্ধি আদি যুক্ত নহ'লে কেনে অথন্তৰ হয়—তাৰ উদাহৰণস্বৰূপে তোমাক সুনন্দৰ কাহিনী কওঁ শুনা। এই কাহিনীয়ে তোমাৰ দৃষ্টিৰ আগত অস্থিৰমতিত্বতাৰ স্বৰূপ দঙি ধৰিব আৰু তুমি তোমাৰ অধীত জ্ঞানৰ প্রয়োগ তথা নিজৰ কাৰ্য্যৰ বিষয়েও কিঞ্চিত শিক্ষা গ্রহণ কৰিব পাৰিবা। এই বুলি কৈ বেতালে বিক্রমাদিত্যক ক'বলৈ ধৰিলে :

‘বেতাল-কথা’

তেতিয়াৰ কালত বিশ্বৰূপ দেশত ৰজা শূৰসেনৰ ৰাজত্ব আছিল। তেওঁৰ মহামন্ত্ৰী বৃহস্পতি আছিল অতি বুদ্ধিশালী ব্যক্তি। ৰজা শূৰসেনে বৃহস্পতিৰ সকলো দিহা-পৰামৰ্শ বিনা প্ৰশ্নে মানি লৈছিল, তথা মহামন্ত্ৰী বৃহস্পতিয়েই ৰজাৰ হৈ শাসন-কাৰ্য্য চলাইছিল।

কিন্তু অকস্মাৎ বৃহস্পতিৰ অকালমৃত্যু হ'ল আৰু তেতিয়া মৰ্মাহত মহাৰাজে আন এগৰাকীক মহামন্ত্ৰীৰ বাব দিলে।

*

নতুন মহামন্ত্ৰীয়ে মহাৰাজক সুশাসনৰ সুপৰামৰ্শ দিব পাৰক-নোৱাৰক, মহাৰাজক ভালৰি বোলাবলৈ যথেষ্ট পাৰগ আছিল। কিছুসংখ্যক শুভবুদ্ধিসম্পন্ন লোকে মহাৰাজ শূৰসেনক এই বিষয়ে সচিত কৰিব খুজিছিল, কিন্তু মহাৰাজে কৈছিল' "নতুন অৱস্থাত আমাৰ বৃহস্পতি সম্পৰ্কেও এনেকৈয়েই কোৱা হৈছিল। পাছত কিন্তু সেইবোৰে চাৰি আলিৰ ৰটনিৰ বাহিৰে আন বিশেষ একো গুৰুত্ব নাপাইছিল যে —আপোনালোকেও জানে। কোনো মহামন্ত্ৰীয়ে দেশৰ অনিষ্ট হ'ব পৰা কোনো দিহা-পৰামৰ্শ দিব নোৱাৰে।"

*

কিন্তু ৰাজগুৰুৰেও নতুন মহামন্ত্ৰীৰ কিছু কিছু লাগ-বান্ধ নোহোৱা কথা তথা কাৰ্য্যকলাপৰ পিনে মহাৰাজৰ দৃষ্টি আকৰ্ষণ কৰাত মহাৰাজে ক'লে, "গুৰুদেৱ! আপুনি দৈৱকাৰ্য্যত যিমান পাৰগ, ৰাজকাৰ্য্যত হয়তো সিমানেই অপাৰগ।"

ৰাজগুৰুৱে ৰজাক আৰু ভাল-মন্দ একো নোকোৱাকৈ পোনে পোনেই স্বৰ্গী মহামন্ত্ৰী বৃহস্পতিৰ বিধবা পত্নীক লগ ধৰি ক'লেগৈ, "আমাৰ মহাৰাজ আছিল স্বৰ্গগত বৃহস্পতিৰ ওপৰত সম্পূৰ্ণ নিৰ্ভৰশীল। এতিয়া—মহাৰাজে সকলোৱে প্ৰতিভাৱান বৃহস্পতিৰ দৰে গণ্য কৰিছে। কিন্তু প্ৰকৃত কথা হ'ল এয়ে যে—বৰ্তমানে আমাৰ



দেশখনে এক অযোগ্য মহামন্ত্ৰীৰ কবলত পৰি ককবকাইছে। এই অযোগ্য মহামন্ত্ৰী দিহা-পৰামৰ্শ যে দেশৰ পক্ষে অনিষ্টকৰ হৈছে—ৰজাক কোনেও বুজাব পৰা নাই। ময়ো ব্যৰ্থ হৈছোঁ। দেশৰ মংগলাৰ্থে, তুমি তোমাৰ দশম-বৰ্ষীয় পুত্ৰ সুনন্দক দণ্ডকাৰণ্যস্থিত গুৰু বিতণ্ডৰ টোললৈ পাঠোৱা। তাত শিক্ষা গ্ৰহণ কৰি, ডাঙৰ হৈ, সুনন্দই দেশৰ মহামন্ত্ৰীৰ দায়িত্ব পালন কৰক—এয়ে মোৰ ইচ্ছা।"

*

বৃহস্পতি-পত্নীয়ে ৰাজগুৰুৰ ইচ্ছানুসাৰে পুত্ৰ সুনন্দক দণ্ডক বনস্থিত গুৰু বিতণ্ডৰ আশ্ৰমলৈ পঠালে।

*

সকলো কথা শুনাৰ অন্তত গুৰু বিতণ্ডই সুনন্দক ক'লে, "গুৰুকুল হ'ল জ্ঞানাৰ্জনৰ ঠাই, মন্ত্ৰী হোৱাৰ অৰ্হতা অৰ্জাৰ ঠাই নহয়। আৰু—মন্ত্ৰী হৈ কি কৰিব লাগে এই কোমল বয়সত সেই ধাৰণা তুমি কৰিবও নোৱাৰিবা।"

সুনন্দই হাত যুৰি গুৰু বিতণ্ডক ক'লে, "গুৰুবৰ! মোৰ পিতাদেৱে সঠিক তথা সুচিন্তিত দিহা-পৰামৰ্শ প্ৰদান কৰি আমাৰ দেশখন সুকলমে চলোৱাত মহাৰাজক সহায় কৰিছিল যে--সেই কথা সত্য। কিন্তু পিতাদেউয়েই মহাৰাজৰ মনত এই কথা শিপোৱাই থৈ গ'ল যে—মহামন্ত্ৰী মানেই মহা বুদ্ধিমন্ত। এনে বদ্ধমূল ধাৰণা—এগৰাকী ৰজাৰ পক্ষে অতি মাৰাত্মকধৰণে অনিষ্টকৰ যে — আপুনি নিশ্চয় বুজিব। গতিকে—কিছু বছৰৰ পাছত হ'লেও—এই বিষয়ে পাৰিলে কিবা কথাটো মোৰ কৰ্তব্য বুলি ভাৱোঁ। প্ৰকৃত অৰ্হতাসম্পন্ন মহামন্ত্ৰী এগৰাকীয়ে ৰজাৰ ভুল শুধৰাবহে লাগে, কেৱল মুখৰ মেহাৰেৰে ৰজাক তুষ্ট ৰাখিব নালাগে বুলিহে মোৰ দৃঢ় বিশ্বাস। মোৰ পিতাদেউয়ে যি ভুল কৰিছিল,মই পাৰিলে



—মহামন্ত্ৰী হৈ পিতাদেউৰ সেই ভুল শুধৰাম। কৃপা কৰি মোক যথোচিত জ্ঞান-বুদ্ধি প্ৰদান কৰক, গুৰুদেৱ!"

গুৰু বিতগুই সুনন্দক আশীৰ্বাদ কৰি ক'লে "বৎস, তোমাৰ মাজত অপূৰ্ব প্ৰতিভা বিদ্যমান। তোমাৰ কথা-বাৰ্তা তোমাৰ বয়সতকৈ বহুগুণে আগবঢ়া। তোমাক সকলো জ্ঞান দান কৰি দেশৰ মহামন্ত্ৰী নহয়, এই আশ্ৰমৰ মহা আচাৰ্য্য পাতিবলৈহে মোৰ মন গৈছে। কিন্তু—তোমাৰ অভিলাসতো যুক্তি নথকা নহয়। যি কি নহওক—এটা কথা মনত ৰাখিবা যে—কোনো বাবৰ বাবে বিদ্যাৰ্জন—বিদ্যাৰ্জনেই নহয়। সেই বিদ্যা ব্যৰ্থ।"

*

সুনন্দক গুৰু-বিতগুই শিষ্য হিচাপে ল'লে, আৰু কিছু দিনৰ ভিতৰতে শিষ্য হিচাপে সুনন্দ অন্যান্য ছাত্ৰৰ তুলনাত বহু গুণে বেছি যোগ্যতা আৰ্জিলে। সুনন্দ হৈ উঠিল গুৰু বিতগুৰ আশ্ৰম সৰ্বশ্ৰেষ্ঠ বিদ্যাৰ্থী।

এদিন গুৰু বিতগুই আশ্ৰমৰ সকলো ছাত্ৰৰ আগত ক'লে, "তোমালোকৰ মাজত ৰমাকান্তই একেবাৰেই পাঠাভ্যাস নকৰে। আৰু সেই কাৰণে সি পিছপৰা হৈ আছে। তোমালোকৰ মাজত কোনো এজনে যদি ৰমাকান্তক বিদ্যাৰ্জনত সহায় কৰা, মই আনন্দিত হ'ম আৰু সেইজনক মই আশ্ৰমৰ প্ৰধান আচাৰ্য্য পাতি দিম।"

এই কথা শুনি ৰমাকান্ত উত্তেজিত হৈ উঠিল আৰু সি ক'লে, "মই মোৰ কোনো সহপাঠীৰপৰা জ্ঞান ল'বলৈ ইয়ালৈ অহা নাই। আৰু — মোৰ গুৰুৱেই যিস্থলত মোক এনেকৈ অপমান কৰিলে—ইয়াত থকাৰো প্ৰয়োজন নাই।" এই বুলি কৈ ৰমাকান্ত আশ্ৰম এৰি গুচি গ'ল।

*

তেতিয়া গুৰু বিতগুই ক'লে, ৰমাকান্তৰ মনত "মন্ত্ৰী হোৱাৰ ইচ্ছা—বৰ প্ৰবল। সেই কাৰণেহে সি বিদ্যাৰ্জনৰ

কাৰোদিও যাব পৰা নহ'ল।"

তাৰ পাছতো আৰু ছবছৰ কাল ধৰি অধ্যয়নৰ অন্তত সুনন্দৰ বিদ্যাভ্যাস সমাপ্ত হ'ল। সুনন্দই বিদায় লৈ ঘৰলৈ উভতি যোৱাৰ আগতে গুৰুক গুৰুদক্ষিণা দিব খোজাত গুৰু বিতণ্ডই ক'লে, "তুমি যদি আমাৰ এই টোলখন চলোৱাৰ দায়িত্ব লোৱা—তাকেই মই গুৰুদক্ষিণা বুলি গণ্য কৰিম।"

সুনন্দই বিনম্ৰতাৰে গুৰুক ক'লে, হে গুৰুদেৱ! সকলো শাস্ত্ৰতে মাতৃক শ্ৰেষ্ঠ গুৰু বুলি কোৱা হৈছে। এতেকে—হে মোৰ পৰম অৰাধ্য গুৰুদেৱ! মাতৃদক্ষিণালৈ মন নকৰি গুৰুদক্ষিণা দিবলৈ কয় যদি—তাকেই মই কৰিম।"

গুৰু বিতণ্ডই মৃদুকৈ হাঁহি মাৰি ক'লে, "তুমি পোন্ধৰ বছৰ বয়ঃক্ৰমত যি জ্ঞান আৰ্জিলা—সেই জ্ঞানৰ তুলনা নাই। ৰজা-মহৰজাৰ অধীনস্থ হৈ থাকি তুমি তোমাৰ জীৱনকালত সিমান সুখ-শান্তি হয়তো নাপাবা—এই কথা ভাবিহে মই তেনেকৈ কৈছিলোঁ।"

*

তাৰ পাছত সুনন্দ বিশ্বৰূপ দেশলৈ গ'ল আৰু গৈয়েই মহাৰাজৰ অসুস্থতাৰ সম্বাদ পালে।



বিশ্বৰূপ ৰাজ্যৰ ৰজা তেতিয়া মহাৰাজ শূৰসেনৰ পুত্ৰ বীৰসেন। বীৰসেন আছিল অতি অহংকাৰী। তেওঁ এজন চাটুৰা মহামন্ত্ৰী বিচাৰি আছিল, যিজন মহামন্ত্ৰীয়ে তেওঁৰ প্ৰতিটো কথাত কেৱল 'হয়' কৰিব! এনেতে মাতৃৰ আদেশমতে আৰু ৰাজগুৰুৰ নিৰ্দেশ মতে সুনন্দ ৰজা বীৰসেনৰ কাষ চাপিল। ৰাজগুৰুৱেই সুনন্দক তালৈ লৈ গৈছিল, সুনন্দ ৰাজধানীলৈ যোৱাৰ আগদিনাই ৰজা বীৰসেনে নতুন মন্ত্ৰীক নিযুক্ত কৰিছিল। সুনন্দই তাত দেশৰ নতুন মহামন্ত্ৰীৰূপে ৰমাকান্তক দেখা পালে।

দুয়োজনৰ মাজত কুশল-বাৰ্তা বিনিময় হ'ল। তাৰ পাছত ৰমাকান্তই সুনন্দক ক'লে, "আমি দুয়োজনেই একেইজন ৰজাৰ মন্ত্ৰী হৈ কাম কৰিলে কিমান যে সৌভাগ্যৰ কথা হ'ব!"

কিন্তু সুনন্দই ক'লে, "মই তোমাক অভিনন্দন জনাবলৈহে ইয়ালৈ আহিছিলোঁ। আমাৰ গুৰুদেৱে গুৰুকুল অৰ্থাৎ গুৰুৰ আশ্ৰম চলালেহে গুৰুদক্ষিণা দিয়া হ'ব বুলি মোক কৈছিল। গুৰুদেৱৰ এই প্ৰস্তাৱ তথা আদেশক মই সাৰোগত কৰি লৈছোঁ।"

এই বুলি কৈ, সুনন্দই পোনে পোনেই ঘৰলৈ উভতি আহিল আৰু কেইদিনমানৰ পাছত পুনৰ গুৰু বিতগুৰ আশ্ৰমলৈ বুলি ৰাওণা হ'ল।

*

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "ৰাজন্! সুনন্দই মাতৃদক্ষিণাক গুৰুদক্ষিণাতকৈ ডাঙৰ বুলি ভাবিও মন্ত্ৰীপদ গ্ৰহণ নকৰা হ'ল কিয়?

"বিশেষকৈ—বিবেচক ৰজা বীৰসেনে ৰমাকান্তক মন্ত্ৰীৰূপে নিযুক্ত কৰাৰ পাছতো যেতিয়া সুনন্দক মন্ত্ৰীৰূপে নিযুক্ত কৰিবলৈ সন্মত আছিল—তেতিয়া কিয় সুনন্দই ইমান লোভনীয় "মন্ত্ৰীপদ প্ৰত্যাখ্যান কৰিছিল?

"ৰমাকান্তহেন মূৰ্খৰ সৈতে সহাৰস্থানৰ অপমানৰ ভয়তেনে? সুনন্দই যি কৰ্তব্য কৰিব বুলি তাৰ দহ বছৰ বয়সতে ভাবিছিল, ডাঙৰ হৈ কিয় সেই কৰ্তব্য নকৰা হৈছিল? এই উপেক্ষা কিয় প্ৰদৰ্শন কৰিছিল সুনন্দই?

মোৰ এইবোৰ প্ৰশ্নৰ উত্তৰ সঠিককৈ জানিও যদি নিদিয়া, তেনেহ'লে তোমাক মোৰ অভিশাপজনিত দুৰ্ঘটনাৰপৰা কোনেও ৰক্ষা কৰিব নোৱাৰিব—এই কথা ধ্ৰুৱ বুলি জানিবা।"

বেতালৰ প্ৰশ্নৰ উত্তৰত বিক্ৰমাদিত্যই ক'লে, "হে বেতাল! সুনন্দই তাৰ অধীত জ্ঞান কোনোবা এগৰাকী ৰজাৰ সেৱাত সীমাবদ্ধ নৰখাকৈ অন্য অন্য মহান মংগলময় কামতো প্ৰযুক্ত কৰাৰ কথা চিন্তিছিল, যদিও মাতৃভক্ত সুনন্দই বিশেষকৈ মাতৃৰ-অনুৰোধত আন একো কথা বিচাৰ-বিবেচনা নকৰাকৈয়েই ততা-তৈয়াকৈ ৰজাৰ ওচৰলৈ লৰাৰ আহিছিল।

"কিন্তু ৰজা বীৰসেনে যিজনক মহামন্ত্ৰী পাতিছিল সেই ৰমাকান্তহেন বুদ্ধিমানক তাত দেখা পাই ৰজাক দিহা, পৰামৰ্শেৰে সহায়-সেৱাৰ কথা বা আনকি উচ্চপদস্থ মন্ত্ৰী বা পৰামৰ্শদাতা বা তেনেকুৱা আন কিবা ধৰণৰ পদ গ্ৰহণ কৰাৰ কথা, বা ৰজা বীৰসেনক কোনো বিশেষ ধৰণৰ দিহা-পৰামৰ্শ দিয়াৰ কথা আৰু নভবা হ'ল।

"কিয়নো—এই বীৰসেন ৰজাৰ ওচৰত মহামন্ত্ৰী পদৰ আচলতে কোনো মূল্য নাছিল, আছিল এক প্ৰচলিত পদ আৰু ৰাজকীয় অলংকাৰ মাথোন। নতুন ৰজা বীৰসেনৰ ওচৰত মহামন্ত্ৰীৰ পদ বা সেই পদত সমাসীন ব্যক্তিজন দৰাচলতে আছিল এটা দানৰো নোহোৱা পুণ্যৰো নোহোৱা পুতলা মাথোন।

"এই কথাৰ বেথ কৰিয়েই সুনন্দই ৰজাৰ 'কলহৰ কাণ' নহৈ জগতৰ কাৰণে বৃহত্তৰ কাম কৰাৰ সিদ্ধান্ত লৈ তৎক্ষণাৎ তথাকথিত ৰাজকীয় মন্ত্ৰীপদৰ মান-সন্মানলৈ ভ্ৰূক্ষেপো নকৰি সাহসেৰে সৈতে গুৰুকুল চলোৱাৰ লক্ষ্য স্থিৰ কৰি নিজস্ব চিন্তাৰে তথা বুদ্ধিমত্তাৰে অধীত জ্ঞানৰ প্ৰয়োগ কৰিবলৈ গুচি গৈছিল।"

বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে শ'টো লৈ পুনৰ সেই গছজোপাৰ ওচৰলৈ উভতি। গ'ল [কল্পিত

[বসুন্ধৰা'ৰ ৰচনা অৱলম্বনত]

ওৰ

শ্ৰীপুৰৰ জমিদাৰ ডাঙৰীয়াৰ এটা বিশেষ স্বভাৱ আছিল এয়ে যে—কোনোবাই তেওঁৰ ওচৰলৈ চাকৰি বিচাৰি আহিলে তেওঁ তিনিটা প্ৰশ্ন কৰিছিল, আৰু সেই প্ৰশ্ন তিনিটাৰ সদুত্তৰ দিব পৰাক তেওঁ চাকৰিত মকৰল কৰিছিল। কেতিয়াবা প্ৰশ্নবোৰ হৈছিল একেবাৰে উজু, কেতিয়াবা টানবো টান।

এদিন ৰুদ্ৰ নামৰ এজন মানুহ জমিদাৰ ডাঙৰীয়াৰ ওচৰ চাপিল, তাক যেনেতেনে চাকৰি এটা লাগে। মানুহজন আছিল কলা।

জমিদাৰ ডাঙৰীয়াই মানুহজনলৈ ঠাণ্ডা কিন্তু তীক্ষ্ণ দৃষ্টিৰে চালে আৰু সুধিলে, "কোৱা, কোন বস্তু হেৰুৱায়ো পুনৰ পাব পাৰি।"

"পইচা।" ৰুদ্ৰই ক'লে।

"এবাৰ হেৰালে আৰু বিচাৰি নোপোৱা বস্তু কি?" জমিদাৰে পুনৰ সুধিলে।

"দিন আৰু ৰাতি।" ৰুদ্ৰই তৎক্ষণাৎ উত্তৰ দিলে।

"সহায়কাৰীৰপৰা সহায় পাই সহায় পাওঁতাই কিমান দিনলৈকে কৃতজ্ঞ থকা উচিত?" জমিদাৰ ডাঙৰীয়াই সুধিলে।

"আজীৱন।" ৰুদ্ৰই ক'লে।

"চাব্বাই – চ!"

জমিদাৰে ৰুদ্ৰৰ উত্তৰবোৰ ভাল পাই তাক তেতিয়াই চাকৰিত মকৰল কৰিলে।

কিছুদিনৰ পাছত জমিদাৰ ডাঙৰীয়াই জানিলে যে ৰুদ্ৰ মানুহজন কলা। এই কথা জানি, আচৰিত হৈ জমিদাৰে চিঞৰি চিঞৰি ৰুদ্ৰক সুধিলে, "তেনেহ'লে তেতিয়া কেনেকৈনো মোৰ প্ৰশ্নবোৰৰ উত্তৰ দিছিলা?"

ৰুদ্ৰই ক'লে, "হুজুৰ মাই-বাপ! সিদিনা আপুনি মোক সুধিছিল যে—মোক কি লাগে, মই কৈছিলোঁ—'পইচা'। দ্বিতীয় প্ৰশ্নত সুধিছিল—তুমি কেতিয়া কাম কৰিবা, মই উত্তৰ দিছিলোঁ—'দিন আৰু ৰাতি'। তৃতীয় প্ৰশ্নত সুধিছিল যে মই কিমান দিনলৈ কাম কৰিম, মই কৈছিলোঁ—'আজীৱন'।"

তেতিয়া জমিদাৰে ক'লে, "হাৰে কলাৰ পো কলা, এতিয়াহেনে উৰহীৰ ওৰ বিচাৰি পালা!"



ভাৰতৰ পশু-পক্ষী ঃ

সিংহ

প্ৰাচীন কালত সিংহক ‘অৰণ্যৰাজ’ অৰ্থাৎ অৰণ্যৰ ৰজা বুলি কোৱা হৈছিল। ‘পঞ্চতন্ত্ৰ’ আৰু ঈশপৰ কাহিনীতো সিংহক বনৰ ৰজা ৰূপে স্থান দিয়া হৈছে। এসময়ত সিংহ আছিল আমাৰ জাতীয় পশু। কিন্তু কালক্ৰমে সিংহৰ সংখ্যা তাকৰি অহাৰ পাছত ‘বাঘ’ক ভাৰতৰ জাতীয় পশু ৰূপে আখ্যা প্ৰদান কৰা হৈছে।

সিংহৰ গাম্ভীৰ্য্য মন কৰিবলগীয়া। সিংহও বাঘৰদৰেই ‘বিড়াল’ প্ৰজাতিৰ প্ৰাণী। সিংহ সাধাৰণতঃ দীঘলে ২৭৫ ছেন্টিমিটাৰ আৰু ৯০ ছেন্টিমিটাৰ ওখ হয়। সিংহৰ গাৰ বৰণ মটীয়া হালধীয়া মিহলিবিধৰ হয়। চাৰি বা পাঁচৰপৰা বিছটামান সিংহ একেলগে থকা পৰিলক্ষিত হয়।

একালত ভাৰতৰ প্ৰায় সকলো ঠাইতেই সিংহ পৰিলক্ষিত হৈছিল। কিন্তু—কোৱা হয় যে—ভাৰতীয় সিংহতকৈ বহুগুণে ক্ৰূৰ তথা হিংস্ৰ ছাইবেৰিয়াৰ সিংহবিলাকে ভাৰতীয় সিংহবিলাকক দক্ষিণ দিশলৈ খেদি পঠাইছিল।

বৰ্তমান দিনত কেৱল গুজৰাট ৰাজ্যৰ ‘গিৰ ন্যাশ্যনাল পাৰ্ক’হে সিংহবিলাকৰ শেষ আশ্ৰয়স্থল হৈছেগৈ। বৰ্তমানকালত এই সুৰক্ষিত অথচ ক্ৰমাত হ্ৰাসপ্ৰাপ্ত এই অতি ভয়াল-সুন্দৰ বন্য পশুটিৰ বৰ্তমান সংখ্যা ২৩০-ৰ ওচৰা-উচৰি হ’ব বুলি সমীক্ষাত কোৱা হৈছে।

ফিনল্যাণ্ডৰ ফুলঁতী বাতৰি-যোগনিয়াৰ

যোৱা বছৰৰ নৱেম্বৰৰ মাহত কেৰল ৰাজ্যৰ ত্ৰিৱেন্দ্ৰম নামৰ ঠাইত আন্তঃৰাষ্ট্ৰীয় শিশু চলচ্চিত্ৰ উৎসৱ পতা হৈছিল। সেই উৎসৱত সংবাদদাতাসকলৰ মাজত দহ বছৰীয়া ছোৱালী এজনীক দেখা গৈছিল আৰু এইজনী ছোৱালীয়ে সকলোটিৰ দৃষ্টি আকৰ্ষণ কৰিছিল। সকলোটিয়েই এইজনীক কোনোবা বিদেশী সংবাদদাতাৰ সৈতে শিশু ফিল্মোৎসৱ চাবলৈ অহা বুলিহে ভাবিছিল। কিন্তু এইজনীৰ ওচৰত নিজস্ব 'পৰিচয়-পত্ৰ' দেখা পাইহে সকলোৰে চক্ষু চড়কগাছ হ'ল।

এইজনী ছোৱালীৰ নাম ইনো হিক্কিনেন। ফিনল্যাণ্ডীয় **টি. ভি.**ৰ প্ৰতিনিধি হিচাপে তাই এই চলচ্চিত্ৰ-উৎসৱত ভাগ ল'বলৈ আহিছিল। ফিল্ম চাই, ফিল্মৰ প্ৰখ্যাত-প্ৰমুখ লোকসকলৰ সাক্ষাৎকাৰ গ্ৰহণ কৰি ফিনল্যাণ্ডৰ **টি. ভি.**লৈ প্ৰেৰণকাৰী ছজনীয়া সংস্থাদলৰ ইনোও অন্যতম এগৰাকী সদস্য।

ইনোই ত্ৰিৱেন্দ্ৰমলৈ আহি পোৱাৰ লগে লগেই তাইক 'কনককুন্নু ভৱন'লৈ লৈ যোৱা হ'ল। ইয়াতে শিশু চলচ্চিত্ৰ উৎসৱ উদ্‌যাপিত হৈছিল। সেই ভৱনৰ ওচৰ-পাজৰৰ প্ৰাকৃতিক দৃশ্যাৱলী চাই ইনো আপোন-পাহৰা হৈ পৰিছিল। চলচ্চিত্ৰ উৎসৱ দুসপ্তাহ ধৰি মহা সমাৰোহেৰে চলিছিল আৰু ইনোৱো অতি আনন্দেৰে ভাগ লৈছিল। আমাৰ দেশৰ শিশু অভিনেতা-অভিনেত্ৰীসকলক ইনোই বৰ প্ৰশংসা কৰিছিল। ফিল্মোৎসৱৰ উদ্যোক্তাসকলে পতা ভোজমেলত থলুৱা খাদ্য খাই ইনোই বৰ ভাল পাইছিল। কেৰলৰ 'নেন্দ্ৰফলম্', অৰ্থাৎ কেৰলৰ বিখ্যাত কল খাই তাই ইমান যে ভাল পাইছিল! ফিল্মোৎসৱৰ অন্তত দেশলৈ উভতি যাওঁতে কিছুমান কল তাই লগত লৈ গৈছিল।

চতুৰ্থ শ্ৰেণীৰ ছাত্ৰী ইনোই ফিল্মোৎসৱৰ ফিল্মবোৰ চোৱাৰ উপৰিও ভাৰতৰ চাৰিওফালৰ পৰা অহা শিশুসকলৰ সৈতে কথা-বতৰা পাতিছিল, খেলা-ধূলাতো অংশগ্ৰহণ কৰিছিল।

"এয়া কেৱল চলচ্চিত্ৰ-উৎসৱেই নহয়, আমাৰ বাবে এই উৎসৱ হ'ল এক মহান আনন্দজনক অভিজ্ঞতা।" ইনোৰ এই বক্তব্য আছিল উৎসৱত অনুষ্ঠিত সন্মিলনৰ অন্যতম শ্ৰেষ্ঠ বক্তব্য।

ফিনল্যাণ্ডত শিশু-চলচ্চিত্ৰৰ সংখ্যা তেনেই তাকৰ। ইনোই ফিনল্যাণ্ডত যিমান **টি. ভি.** তথা থিয়েটাৰত শিশু-চিত্ৰ চাইছিল, দুসপ্তাহ জোৰা এই শিশু-চলচ্চিত্ৰ উৎসৱত তাৰ দুগুণ শিশু চলচ্চিত্ৰ চাইছিল। কিছুমান চলচ্চিত্ৰ ইনোই অতি ভাল পাইছিল। বিশেষকৈ মালয়ালম্ চলচ্চিত্ৰ 'অভয়ম্'খন তাই অতি ভাল পাইছিল। সদায় লিখা পঢ়াৰ বাবে জলা-কলা কৰি থকা মাক দেউতাকৰ কবলৰ পৰা কেনেবাকৈ আঁতৰি বিবেচক ককা-য়েকৰ পৰা 'অভয়' পোৱা এক বালকৰ কাহিনী।

ইনো পঢ়া-শুনাত ভাল, ভাল পিয়ানো বজাব পাৰে, বোলছবিতো যথেষ্ট ৰাপ। তাই টেনিছ খেলিও ভাল পায়।

আমি জানোনে?

১. গাহৰি-প্ৰজাতিৰ আটাইতকৈ ডাঙৰ আত্মীয় কোন জন্তু?
২. অঘৰীবিলাকৰ মাত-বোলৰ ভাষা কি?
৩. এখন নগৰেৰে আগুৰা এখন দেশ আছে। সেই দেশখনৰ নাম কি? সেই নগৰখনৰ নাম?
৪. ফাউণ্টেন্ পেন কোনে আৱিষ্কাৰ কৰিছিল?
৫. আটলাণ্টিক মহাসাগৰ উৰি পাৰ হোৱা মহিলা পাইলট কোন আছিল?
৬. এটা সংখ্যা বাদে বাদবাকী সংখ্যা ৰোম্যান পদ্ধতিৰে লিখিব পাৰি। কিন্তু সেই 'এটা সংখ্যা' কোনটো সংখ্যা?
৭. ৰঙা গ্ৰহ কোনটো?
৮. সমগ্ৰ পৃথিৱীৰ ডাক-বাকচৰ বৰণ ৰঙা। কিন্তু আগতে ডাক-বাকচত কোন-ৰঙ লগোৱা হৈছিল?
৯. কাঠেৰে পুতলা বনোৱাৰ প্ৰচলন সৰ্বপ্ৰথমে ক'ত হৈছিল?
১০. 'বাটিক' চিত্ৰ—সৰ্বপ্ৰথমে কোন দেশত ক'ৰা হৈছিল?
১১. কেঁকোৰাই কেনেকৈ খোজ কাঢ়ে?
১২. স্যৰ ৰ'জাৰ ব্যানিস্টাৰ কিহৰ কাৰণে বিখ্যাত?
১৩. বগা হাতীৰ দেশ কোনখন?
১৪. ডাক্তৰ ক্ৰিস্টিয়ান বাৰ্নাৰ্ডে ১৯৬৭ চনত এক নতুন শল্য-চিকিৎসা-পদ্ধতি আৱিষ্কাৰ কৰিছিল। সেই শল্য-চিকিৎসা-পদ্ধতি কি আছিল?
১৫. ১৯৯০ চনত মহাকাশলৈ যোৱা প্ৰথমজন জাপানী সাংবাদিক কোন আছিল?

উত্তৰ

১. পানী-ঘোঁৰা।
২. ৰোম্যানি।
৩. ভ্যাটিকান; ৰোম।
৪. লুই ওৱাটাৰম্যান।
৫. অ্যামেলিয় এৰহাৰ্ট, ১৯২৮ চনত।
৬. চাইফাৰ (শূন্য)।
৭. মংগল গ্ৰহ।
৮. সেউজীয়া।
৯. ভাৰতত আৰু মিচৰদেশত।
১০. ইন্দোনেজিয়া।
১১. এঁকা-বেঁকাকৈ।
১২. ৪ মিনিটতকৈও কম সময়ত এমাইল দৌৰি খ্যাতিলাভ কৰিছিল।
১৩. শ্যামদেশ—এতিয়াৰ থাইল্যাণ্ড।
১৪. হাৰ্ট পৰিৱৰ্তন।
১৫. তোয়োহিৰো আকিয়ামা।

হিৰো হ'ল জিৰো !

জাপানত ১৯৯২ চনৰ বছৰটোক 'বান্দৰৰ বছৰ' হিচাপে ঘোষণা কৰা হৈছে। বান্দৰক জাপানে কিমান প্ৰাধান্য দিছে ইয়াৰেপৰাই তাৰ বুজ ল'ব পাৰি। ভাৰতৰ বাটে-পথে যি বান্দৰ-খেল দেখুৱা হয়, জাপানত সেই একেইবোৰ খেলা মঞ্চোপৰি প্ৰদৰ্শিত হয়। এই বান্দৰ-খেলক জাপানত 'ছকুমাৱাশি' বুলি কোৱা হয়। সহস্ৰ বছৰৰ আগতে চীনদেশৰপৰা জাপানলৈ বান্দৰ আহিছিল আৰু তেতিয়া জাপানি জনসাধাৰণে বান্দৰ-খেল উপভোগ কৰিছিল। তেতিয়া তাত বান্দৰ-খেলক শিল্পকলা বুলি গণ্য কৰা হৈছিল। কিন্তু ১৮৬০ মানত জাপানত পাশ্চাত্য প্ৰভাৱৰ ফলত এই শিল্পকলা নোহোৱা হৈছিল। এশ বছৰৰ অন্তত পুনৰ্জীৱিত হৈ উঠিছে আৰু 'জিৰো' নামৰ বান্দৰ টি. ভি. ষ্টাৰক মুৰাছাকিয়ে আমেৰিকাৰ মঞ্চত প্ৰদৰ্শনৰ বাবে প্ৰশিক্ষিত কৰি আছে!



মকাৰ জঁকা !

যোৱা ১৮ বছৰৰপৰা আমেৰিকাৰ নিউইয়ৰ্কৰ নাছাউস্থিত নিজৰ ঘৰৰপৰা ওৱাল্টাৰ হাডছন নামৰ গিৰিহঁত বাহিৰলৈ ওলাই আহিব নোৱাৰা হৈছিল। ওলাই আহিব নোৱাৰা হৈছিল—আন কোনো কাৰণত নহয়—নিজৰ দেহিডুখৰিৰ কাৰণেই। তেওঁ ইমানেই শকত-আৱত মকা-মওহাল হৈছিল যে তেওঁৰ ওজন হৈছিল ৫৪৪ কে. জি.। কিন্তু পাছত তেওঁ এই বিপুল ওজন কমাব পাৰিছিল ২৩৬ কে. জি.লৈকে। তাৰ পাছত তেওঁ অলপ ঘূৰা-ফুৰা কৰিব পৰা হৈছিল। তুমাহৰ আগতে তেওঁৰ মৃত্যকালত বয়স হৈছিল ৪৬ বছৰ। তেতিয়াও তেওঁৰ ওজন আছিল ২৭২ কে. জি.!

দশৰথৰ কুটা

হেদানিপুৰ হ'ল আধা চহৰ-আধা গাঁও। তাতে আছিল হৰকান্ত নামৰ এজন দানৰো নোহোৰা-পুণ্যৰো নোহোৰা মানুহ। সি কোনো কাম-বন নকৰি লোকৰ ঘৰে ঘৰে খাই ফুৰিছিল। তাৰ এটা অতি লেতেৰা অভ্যাস আছিল—সি তাৰ বিৰাট নাকত নাচগুড়ি লৈছিল আৰু বাৰে বাৰে হাঁচি মাৰিছিল। সেই কাৰণে তাক ৰাইজে 'হাঁচিয়তী হৰকান্ত' বুলি মাতিছিল।

হাঁচিয়তী-হৰকান্তই কোনো কাম-বন নকৰিব, সদায় ভাবি থাকিব—আজি কাৰ ঘৰত খাম, কালিলৈ কাৰ ঘৰত দন টানিম। গাঁৱৰ বিয়া, অন্নপ্ৰাশন, নামকৰণ বা অন্যান্য উছৱ-পৰৱ, বা বা বিয়া বা শৰাধ — য'তে যি নহওক, হাঁচিয়তী হৰকান্ত তৎক্ষণাৎ হাজিৰ হয়গৈ।

দন টানি খাই থাকোঁতে কয়: মোৰ শিষ্টাচাৰৰ কাৰণে কিছুমানে মোক কিজানি বেয়া পায়। মই বৰ বেছি খাবলৈ নিবিচাৰোঁ। কিয়নো — কম খালেই ভাবিব—সি হৰকান্তই নাখালে, বেছিকৈ খালে ভাবিব এই বেটা নাওপেটা। মোৰ হ'ল — আগত গজহস্তী পাছত মাৰখায়ৈ।—এইদৰে কৈ কৈ এবাৰতে দুই-তিনিজনে খাব পাৰা খোৰাবস্তু খাই-ছিল আৰু লোকৰ খং উঠিছিল তাৰ ওপৰত।

এইদৰেই হাঁচিয়তী হৰকান্তই তাৰ দিনবোৰ খালে লৰিব নোৱৰা নাখালে কৰিব নোৱৰাকৈ পাৰ কৰিছিল।

এদিন হাঁচিয়তী হৰকান্তই বাটত এজন অচিনাকি, নতুন মানুহক দেখা পালে। মানুহজনৰ হাতত আছিল

সুদীপ্ত সোণোৱাল



নিমন্ত্ৰণ কৰি খুৱাব। আৰু—ময়ো যিস্থলত এতিয়া বন্ধুৰেই হ'লোঁ—আপোনালোকৰ ঘৰলৈ যোৱাটো আৰু প্ৰসাদ খোৱাটো মোৰো কৰ্ত্তব্য। ঠিক আছে, মই যাম। আপুনি বোধ কৰোঁ নৰৰত্ন নাওবৈচা ফুকন ডাঙৰীয়াহঁতৰ ঘৰত থাকে।—নহয়নে?" হাঁচিয়তী হৰকান্তই আকৌ একেৰাহে চাৰিবাৰমান হাঁচি-মাৰিলে।

একেবাৰে অচিনাকি মানুহ এজনে হৰ, হৰকৈ কোৱাত বদৰী চৌধাৰী অবাক হ'ল। কিন্তু মানুহজনে নিজেই যিস্থলত—ক'বলৈ গ'লে উপযাচিয়েই খাবলৈ যাব বুলি ক'লে—মানুহজনক নিমন্ত্ৰণ নকৰাকৈ বাৰু উপায়েইবা কি?

গতিকে বদৰীয়ে ক'লে, "হয় হয়—আহিব, আপুনি পাৰছাদ খাবলৈ আমাৰ ঘৰলৈ অকল আহিব।"

কিন্তু সেইদিনা হাঁচিয়তী হৰকান্ত বদৰী চৌধাৰীৰ ঘৰলৈ নগ'ল। সি গাঁৱৰ পুৰোহিতৰ লগ লাগি তীৰ্থলৈ গ'ল, আৰু ছয় ৰাতি সাত দিন পুৰোহিতৰ লগে লগে খাই-বৈ ঘুৰি-ফুৰি পুনৰ এদিন গাঁৱৰ ঘৰলৈ উভতি আহিল।

তাৰ পাছত এদিন পুনৰ বদৰীনাথৰ সৈতে তাৰ বাটত দেখাদেখি।

হৰকান্তক দেখা মাত্ৰেই বদৰীৰ খং

কলপাত, আমপাত, ফুলৰ মালা ইত্যাদি। হাঁচিয়তী হৰকান্তই নাচগুড়ি নাকত ভৰাই ছুবাৰমান হাঁচি আৰু হাঁহি মাৰি সুধিলে, "হে এৰি—আপুনি—?"

"মই বদৰী চৌধাৰী। কাচাৰীত কাম কৰোঁ। হে'ৰি—"

এইবাৰ হৰকান্তই কথাই কথাই মানুহজনৰপৰা জানি ল'লে যে—তেওঁৰ ঘৰত ত্ৰিনাথ-বৰতৰ আযোজন কৰা হৈছে বুলিহে তেওঁ তেওঁৰ ঘৰলৈ ফুল-আমপাত-কলপাত লৈ গৈছে।

হৰকান্তই কৈ উঠিল, "তেনেহ'লে তো আপোনাৰ ইষ্ট-মিত্ৰ বন্ধু-বান্ধৱ সকলোকে

উঠিল আৰু মুখখন ঘুৰাই গুচি যাবলৈ ধৰিলে। কিন্তু হাঁচিয়তী হৰকান্তই নাকত নাচগুড়ি ভৰাই হাঁচি আৰু হাঁহি একেলগে মাৰি লৈ বদৰীক ক'লে, "খং আপোনাৰ উঠিবই। আপুনি ইমান মৰমৰে মোক প্ৰসাদ খাবলৈ মাতিছিল আৰু মই যাম বুলি কথা দিও যাব নোৱাৰিলোঁ। যে—খং আপোনাৰ উঠিবই। ঠিক আছে। ৰ'লক এতিয়াই যাম, আৰু তাতেই গা-পা ধুই দুয়ো সাজ খাই-বৈ তেহে উলটিম।"

এই বুলি কৈ, হৰকান্তই বদৰীনাথৰ বাহুত বাহু লগাই বদৰীক ঠেলি ঠেলি বদৰীকে বদৰীৰ ঘৰলৈ লৈ গৈ থাকিল।

বদৰীৰ ঘৰত এজনী বুঢ়ী আছিল। এই বুঢ়ীজনী হ'ল বদৰীৰ পেহীয়েক। বুঢ়ীয়ে বদৰীক, আৰু বদৰীৰ ঘৰলৈ অহা প্ৰায় প্ৰতিজনকে 'তয়া-তোকা' কৰি সম্বোধন কৰিছিল, তয়া-হঞাকৈ মাত-বোল কৰিছিল।

হাঁচিয়তী হৰকান্তই নাকত নাচগুড়ি ভৰাই যেতিয়া হাঁচি মাৰি থাকিল তেতিয়া বুঢ়ীয়ে কৈ উঠিল, "হাৰে নাকুৰা! তোৰ কথা মই চব শুনিলোঁ-জানিলোঁ। তোৰ নাকেই দেখিছোঁ নাচগুড়িৰ টেমা! ৰন্ধা হৈ গ'ল, গা-পা ধুই আহ। হোঁ—আৰু কুঁৱাৰপৰা পানী উঠাই আন।" বুঢ়ীয়ে ক'লে। ক'লে মানে — হৰকান্তক একপ্ৰকাৰে হুকুমেই দিলে।



হাঁচিয়তী হৰকান্তই বাধ্যত পৰি কুঁৰাৰপৰা পানী উঠাই কলহত ভৰাবলৈ ধৰিলে আৰু ভাবিলে : আস্! এই ঘৰলৈ খাবলৈ আহি কিখিনি ভুল যে কৰিলোঁ!

তিনি কলহ পানী ভৰাই সি ভাগৰি পৰিল। কিন্তু বুঢ়ীয়ে চিঞৰি চিঞৰি তাক ককৰ্থনা কৰি থাকিল, "কি অ'—? তিনি কলহ পানী ভৰায়েই কামৰি কাঢ়িবলৈ ধৰিলিনে তই? বিনা পৰিশ্ৰমতে খাই খাই গাহৰিটোৰ দৰে হৈছ, নহয়? আহ, এতিয়া খাহি—আহি যা—।"

তাক কলপাতত ভাত-ডাইল-আঞ্জা দিয়া হ'ল আৰু সি বহিয়েই নাগেৰা চটাই খাবলৈ ধৰিলে।

তাৰ খাবৰ ধা-ধৰণ দেখি বুঢ়ীয়ে কৈ উঠিল, "তই বোলে ৰাতিৰ সাজও ইয়াতে খাবি। কিয়—চব যদি এবাৰতে খাব—ৰাতি খাবিনো কি? অলপ বুজ-বিবেচনাকৈ খাব লাগে নহয়—? যদি পথম দিনতে ইমানকৈ খাই থাক, দিত্য দিনা তোক কোনেও মাতিবনে বাৰু?" হাঁচিয়তী হৰকান্তৰ দুচকুৰপৰা ধাৰাসাৰ পানীওলাল।

খাই উঠি হৰকান্তই যেতিয়া ততাতৈয়াকৈ গুচি যাবলৈ খোজ ল'লে, তেতিয়া বুঢ়ীয়ে ক'লে, "হাৰে! তই খাই উঠিয়েই যে খোজ লৈছ—তোৰ এই খোৱা পাত কোনেনো পেলাব ঔ—? তই দেখিছোঁ কেৱল খোৱাৰ দুখীয়ায়েই নহয়, বুধিৰো দুখীয়া! মাগ্‌নাৰ খাওন খাই যদি তই তংক্ষণাং যাব গৈ—তোৰ চুৰা পাত বাৰু ময়েই পেলাই আহিমনে গৈ? এইবোৰ পেলাই পাছত গোবৰ-পানীৰে ঠাইতোখৰ মচি দিবি—তেহে যাবি।"

হাঁচিয়তী হৰকান্তই বিনা প্ৰতি বাদে বুঢ়ীয়ে কোৱা কামখিনি কৰিলে আৰু সিদিনাৰেপৰাই ভূমি ছুই কাণত হাত দি দশৰথৰ এগছকুটা দুগছ নকৰাৰ অন্ত পেলাব বুলি গো-পিঠি কৰিলে।

সূক্ষ্মবুদ্ধি

অৱন্তীৰাজ্যৰ ৰজা আছিল প্ৰজাৰঞ্জক বীৰবৰ্মা। মহাৰজা বীৰবৰ্মাদেৱৰ প্ৰধান তথা একমাত্ৰ পৰামৰ্শ দাতা জয়ানন্দদেউ যেতিয়া অতি বৃদ্ধ হৈ পৰিল, তেতিয়া মহাৰাজে তেওঁৰ পৰামৰ্শদাতাৰ পদত নতুনকৈ কাৰোবাক নিযুক্ত কৰাৰ কথা ভাবিলে আৰু সেই কথাটো তেওঁৰ বুদ্ধিমন্ত মহামন্ত্ৰী সুবুদ্ধিক ক'লে।

মহামন্ত্ৰী সুবুদ্ধিয়ে মহাৰজাক ক'লে, "মহাৰাজ, আগতে—দেশৰ ৰাজনীতিবিদ অৰ্থনীতিবিদ ন্যায়শাস্ত্ৰবিদ প্ৰমুখক একেলগ কৰি তেওঁলোকৰ মাজৰপৰা কাৰোবাক পায়নেকি চাব লাগিব। তাৰ পাছত — জয়ানন্দদেউৰ পৰামৰ্শক্ৰমেই চূড়ান্ত বাছনি কৰিব লাগিব।"

মহামন্ত্ৰীৰ কথাত মহাৰাজে ভালেই পালে আৰু এই প্ৰস্তাৱত তেওঁৰ পূৰ্ণ সম্মতি প্ৰদান কৰিলে।

মহামন্ত্ৰীয়ে সমগ্ৰ ৰাজ্যত এই ঘোষণা কৰোৱাত অ'ৰ-ত'ৰপৰা অনেক বিদ্বান-পণ্ডিত আহিল, আহিল সাধাৰণ শ্ৰেণীৰ মানুহো। চূড়ান্ত বাছনিত জয় আৰু বিজয় নামৰ যুৱক দুজনক বাছি উলিউৱা হ'ল। এই দুজনক যথাযোগ্যভাবে পৰীক্ষা-নিৰীক্ষা কৰাৰ অন্তত—দুজনৰ মাজৰপৰা কোনোবা এজনক এই বিশিষ্ট পদৰ বাবে বাছি ল'ব লাগিব।

জয়ানন্দদেউৰপৰা মতামত বিচৰাত তেওঁ মহামন্ত্ৰীক ক'লে, "পৰামৰ্শদাতাই কেৱল শাস্ত্ৰজ্ঞানী হ'লেই নহ'ব, তেওঁ সূক্ষ্মবুদ্ধিসম্পন্নও হ'ব লাগিব। দুয়োজনৰে যিহেতু শাস্ত্ৰজ্ঞান অতি প্ৰখৰ, সিহেতু,

মালা মহন্ত

মানুহ, আৰু তেওঁৰ হৃদৰোগ আছিল। এদিন দয়াৰানে এটা ভয়ানক সপোন দেখিলে। তেওঁ সপোনত দেখা পালে যে এক অটব্য অৰণ্যৰ মাজত তেওঁ বাট হেৰুৱালে আৰু বাট বিচাৰি বিচাৰি তেওঁ এক বিস্তীৰ্ণ পথাৰ পালেহি। তেতিয়া ৰাতি ভালেখিনি হৈছিল, আৰু আকাশত তৰাবোৰে জিকমিকাইছিল। এনেতে এনে ছঁয়া-ময়া পোহৰৰ মাজত তাত এটা চাৰিআলি দেখা পালে তেওঁ। ডাঠ জোপা-জুপলি আৰু কাঁইটীয়া গছ-গছনি থকা লুংলুঙা বাট এছোৱা দেখা পাই সেই বাটেৰে আগুৱাই গৈ থাকিল তেওঁ। কিন্তু কিছুদূৰলৈ যোৱাৰ পাছত সেই বাটছোৱা আৰু নোহোৱা হ'ল।

ইয়াত দয়াৰানে কিছুমান বাঘ-সিংহকো ঘূৰি ফুৰা দেখা পালে। এটা সিংহই দয়াৰানক দেখা পাই—সেই সিংহটোৱে গৰ্জন কৰি কৰি দয়াৰানৰ ফালে আগুৱাই আহিবলৈ ধৰাত দয়াৰানে যিফালৰপৰা আহিছিল সেই ফাললৈ লৰ লগলে। গৈ গৈ আকৌ সেই চাৰিআলি পালেগৈ। তেতিয়া আৰু সিংহটো তাত নাছিল।

অলপ সময়লৈ জিৰণি লোৱাৰ পাছত দয়াৰানে আন এছোৱা সৰু বাটেৰে গৈ

সূক্ষ্মবুদ্ধি কাৰ মাজত অধিক আছে—তাৰ প্ৰমাণ ল'ব লাগিব আৰু সেইজনকহে এই পদত মকৰল কৰিব লাগিব।"

কেনেকৈ কি কৰিব লাগিব—সেই কথা জয়ানন্দদেউৱে মহামন্ত্ৰীক বুজাই কৈ দিলে।

পাছদিনা মহামন্ত্ৰী সুবুদ্ধিয়ে জয় আৰু বিজয়ক ক'লে,"আজি মোৰ এগৰাকী বিশিষ্ট বন্ধুৰ অকালমৃত্যু হ'ল। তেওঁৰ মৃত্যুৰ পূৰ্ণ কাহিনী তোমালোকক ক'ম, মনপুতি শুনিবা।" এই বুলি কৈ মহামন্ত্ৰীয়ে যি ক'লে, তাৰ সাৰমৰ্ম হ'ল : মহামন্ত্ৰীৰ বন্ধু দয়াৰান আছিল অতি বুঢ়া

থাকিল। অলপ দূৰ গৈ দয়াৰানে এঠাইত জোপোহাৰ মাজত এক তীব্ৰ পোহৰ দেখা পাই তাত ৰ'ল, আৰু লগে লগে এটা বিৰাট পাঁচমূৰীয়া সাপ জোপোহাৰপৰা ওলায়েই দয়াৰানক খেদি আহিল। দয়াৰানে বুজি পালে যে এই পোহৰ আছিল সেই নাগৰ মূৰৰ মণিৰপৰা ওলোৱা পোহৰ। দয়াৰানে পাঁচমূৰীয়া সাপৰপৰা সাৰিবলৈ আকৌ অহা ফালে ফেঁটীৰ মূৰ ছিঙা লৰ লগালে আৰু পুনৰ চাৰিআলি পালেহি। লগে লগে সেই সাপটোও নোহোৱা হ'ল।

তাৰ পাছত দয়াৰানে তৃতীয় লুংলুঙা বাটেদি আগ বাঢ়ি গৈ থাকিল। এই বাটছোৱা এটা পাহাৰী গুহাৰ ওচৰত শেষ হৈছিল। গুহাৰ ওচৰত দয়াৰানে মৰা মানুহৰ জঁকা কিছুমান দেখা পালে। ভয় খাই দয়াৰানে তাৰপৰাও ঘূৰি লৰ ধৰিবলৈ লওঁতেই সেই গুহাটোৰপৰা ৰাক্ষস এটা ওলাল আৰু দয়াৰান মৰোঁ-জীওঁ সোঁ আধিকৈ দৌৰি পলাল।

কিন্তু এই বাৰ ৰাক্ষসটোকো, চাৰি-আলিলৈ আগুৱাই অহা দেখি দয়াৰানে চতুৰ্থ লুংলুঙা বাটেৰে দৌৰি দৌৰি গৈ থাকিল। ৰাক্ষসটোৱেও দয়াৰানৰ পিছ নেৰিলে। এই লুংলুঙা বাটছোৱাই এটা পাহাৰৰ টিং পাইছিলগৈ। দয়াৰানে ৰাক্ষসৰ কবলৰপৰা ৰক্ষা পৰাৰ আন একো উপায় নেদেখি একে দোপে সেই

টিং পালেগৈ। এতিয়া দয়াৰানৰ ইফালে ৰাক্ষস, সিফালে অতল গহ্বৰ। কি কৰে কেনি যায় — একো টলকিব নোৱাৰি। দয়াৰানৰ ভৰিৰ তলত থকা শিলচটা হঠাৎ আঁতৰি গ'ল আৰু দয়াৰান অতল গহ্বৰলৈ হুৰমুৰকৈ বাগৰি পৰিল।

ইমানলৈকে কোৱাৰ অন্তত মহামন্ত্ৰীয়ে জয় আৰু বিজয়ক ক'লে "দয়াৰানৰ কাহিনী শুনিলাই। এই সপোন যে কিমান ভয়ানক—বুজিছাই। মোৰ বন্ধু দয়াৰানৰ আছিল হৃদৰোগ, গতিকে—সপোনৰপৰা সাৰ পোৱাৰ লগে লগেই দয়াৰান হৃদৰোগতে মৰিল। এতিয়া—এই বিষয়ে তোমালোকৰ বক্তব্য কি?"

জয়ে ক'লে, "মনোবিজ্ঞানীসকলৰ মতে —সপোনৰ প্ৰভাৱ শৰীৰত পৰিবই। আপোনাৰ বন্ধুৱে চাৰি বাৰকৈ প্ৰত্যক্ষ বিপদৰপৰা সাৰিলে, কিন্তু ইমান ভীতিজনক অৱস্থাক আৰু সহ্য কৰিব নোৱাৰিলে বুলিহে হৃদ-ৰোগত মৰিল।"

মহামন্ত্ৰী সুবুদ্ধিয়ে বিজয়লৈ ঘূৰি চোৱাত বিজয়ে মৃদুকৈ হাঁহি মাৰি ক'লে, "ক্ষমা কৰিব, আপোনাৰ এই কাহিনী কেৱল কল্পনাহে। এই কাহিনীৰ সত্যতা তথা বাস্তৱতা বোলা একো নাই।"

"কল্পনা!" মহামন্ত্ৰীয়ে ক'লে, "তোমাৰ মন্তব্যৰ সত্যতাৰ প্ৰমাণ দিব পাৰিবানে?"

তেতিয়া বিজয়ে বিনম্ৰতাৰে ক'লে, "মহামন্ত্ৰী ডাঙৰীয়া, অনুগ্ৰহ কৰি নিজৰ বক্তব্যখিনিকে নিজে অনুধাৱন কৰক।— আপুনি কৈছিল যে—সপোনৰপৰা সাৰ পোৱাৰ লগে লগেই আপোনাৰ বন্ধুজন হৃদৰোগত মৰিল। মোৰ প্ৰশ্ন—তেনেহ'লে —এই দীঘলীয়া সপোনৰ বিৱৰণ কেনেকৈনো আপুনি জানিছিল?"

মহামন্ত্ৰীয়ে বিজয়ৰ এই সূক্ষ্মবুদ্ধিৰ শলাগ ল'লে, আৰু বিজয়ক পৰামৰ্শদাতা হিচাপে ল'বলৈ মহাৰাজক পৰামৰ্শ দিলে।

২৩

শ্ৰীৰামচন্দ্ৰই নিজৰ দূত ৰূপে অংগদক ৰাৱণৰ ওচৰলৈ পঠাব বুলি স্থিৰ কৰি অংগদক মতাই অনালে আৰু অংগদক ক'লে, "অংগদ, তুমি মোৰ হৈ দুষ্টমতি ৰাৱণক এই কথাখিনি কৈ আহিবাগৈ—

'হে ৰাৱণ! ব্ৰহ্মাৰপৰা বৰপ্ৰাপ্ত হৈ তুমি অতিপাত দৰ্পী হোৱাৰ উপৰিও ঘোৰ পাপকাৰ্য্যত লিপ্ত হৈছা। এইবাৰ তোমাৰ দৰ্প চূৰ্ণ হ'ব। তুমি মোৰ ধৰ্মপত্নীক অপহৰণ কৰিছা, সেই কাৰণে মই তোমাৰ ওপৰত যম পৰাদি পৰিম, জুই জ্বলাদি জ্বলি উঠিম। তোমাক বধ কৰিবলৈ লংকা নগৰীৰ দ্বাৰদেশত মই সাজু হৈ আছোঁ। তুমি যে কেনে ধৰণৰ দম্ভ তথা বল-শক্তিৰ ভিত্তিত সীতা-অপহৰণৰ দৰে অসৎ কাৰ্য্য কৰিছিলা—মই নাজানো। কিন্তু এতিয়া তোমাৰ প্ৰকৃত বল-শক্তিৰ প্ৰকাশ তথা প্ৰমাণ কৰাৰ দিন তোমাৰ সমুখত সমুপস্থিত। এতয়াও কওঁ, ভালে ভালে সীতাক সমৰ্পণ কৰা, আৰু তুমি নিজে মোৰ ওচৰত আত্মসমৰ্পণ কৰা। নচেৎ, তুমি তোমাৰ জীৱনকালত শেষ-বাৰৰ বাবে তোমাৰ শ্ৰীমণ্ডিত লংকানগৰী ঘূৰি-পকি চাই লোৱা। এতিয়া, ধৰি লোৱা, তুমি লংকাৰ ৰজা হৈ থকা নাই। এতিয়া লংকাৰ প্ৰকৃত ৰজা হ'ল বিভীষণ। গতিকে—তুমি এতিয়া এটা নগণ্য ৰাক্ষস মাথোন। তোমাৰ প্ৰাণ মোৰ হাতত

'ৰাম-ৰাৱণৰ ৰণ জেউতি'

মুঠিত—এই কথা জানি যি ভাল দেখা তাকেই কৰিবা. হয় তুমি মোৰ শৰণ লৈ ৰক্ষা পৰিবা, নতু ৰণত পৰি নিশ্চিত মৰিবা। সঠিককৈ জানিবা, মোৰ এই কথাৰ অন্যথা—কদাপি নহ'ব।'

তাৰা-পুত্ৰ অংগদে ৰামচন্দ্ৰৰ বাৰ্তা লৈ দপাট্‌কৈ আকাশমাৰ্গলৈ উঠি ৰাৱণৰজাৰ প্ৰাসাদ পালেগৈ।

ৰাৱণ তেতিয়া মন্ত্ৰী-পৰিবেষ্টিত হৈ উপবেশন কৰি আছিল।

অংগদে ৰাৱণক দেখা পাই নিজৰ চিনাকি দিলে আৰু ৰামচন্দ্ৰৰ বাৰ্তাখিনিও নিৰহ নিৰহকৈ কৈ দিলে।

সেই পৌৰুষব্যঞ্জক বাৰ্তা শুনি ৰাৱণ অতিপাত ক্ৰুদ্ধ হৈ উঠিল আৰু চিঞৰি চিঞৰি ক'লে, "কোন আছা! শীঘ্ৰে ইয়ালৈ আহাঁ। এই দুষ্ট বান্দৰটোক এতিয়াই ধৰি মাৰি পেলোৱা! মাৰি পেলোৱা ইয়াক! জল্‌দি কৰা!"

চাৰিটা বীৰ ৰাক্ষসে দৌৰি আহি অংগদক গবা মাৰি ধৰিলে। অংগদে কোনো প্ৰতিৰোধ নকৰাকৈয়েই সিহঁতৰ হাতত ধৰা দিয়াত ৰাৱণ আৰু অন্যান্যয়ো অতিপাত বিস্মিত হ'ল। কিন্তু এওঁলোকক অধিক বিস্মিত কৰি, ৰাক্ষস বীৰ চাৰিটাক কাষলতিৰ তলত চেপি ধৰি অংগদে আকাশলৈ মাৰিলে উৰা, পালেগৈ ৰাৱণ-ৰজাৰ প্ৰাসাদৰ চূড়া। সেই প্ৰাসাদ-চূড়াৰপৰা অংগদে ৰাক্ষস চাৰিওটাক সক্ৰোধে-সজোৰে তললৈ বগৰাই দিলে আৰু ৰাৱণৰজাৰ প্ৰাসাদৰ চূড়াটোও ভাঙি চূৰ্ণ-বিচূৰ্ণ কৰি পেলালে।

সেই বানৰবীৰ অংগদ তাৰ পাছত পুনৰ ৰামচন্দ্ৰৰ ওচৰলৈ উভতি গ'ল।

*

অংগদৰ এই লণ্ডভণ্ডকাণ্ডত ৰাৱণে অতি অমংগলৰ সূচনা দেখা পালে। মহাপ্ৰতাপী লংকেশ অজেয় ৰাৱণৰজা ধৈৰ্য্যহীন তথা উদ্‌ভ্ৰান্ত হৈ উঠিল।



অলপ সময়ৰ পাছত কিছুমান ৰাক্ষস ৰাৱণৰজাৰ কাষ চাপিল আৰু ক'লে যে বান্দৰসৈন্যই—লগতে ভল্লুকসৈন্যকো লৈ—লংকানগৰীখনক একেবাৰে চাৰিওফালৰ-পৰা আগুৰি ধৰিছে।

এই কথা শুনামাত্রেই মহাবলী ৰাৱণ মহাৰাজ সিংহাসন এৰি প্রাসাদৰ চূড়ালৈ গ'ল আৰু অগণিত বানৰসেনাক স্বচক্ষে নিৰীক্ষণ কৰি থাকিল। তেওঁ লংকানগৰীৰ যিপিনে দৃষ্টিপাত কৰিলে সেইপিনেই দিগন্তবিয়পা বানৰ আৰু বানৰ দেখা পালে। ইমান বানৰ যে কেনেকৈ নিধন কৰা হ'ব—সেই কথা অমিতবলশালী মহাপ্রতাপী স্বয়ং মহাৰাজ লংকেশ্বৰ ৰাৱণেও ভাবি উলিয়াব নোৱাৰিলে।

*

ইপিনে—শ্রীৰামচন্দ্রয়ো লংকা নগৰীৰ প্রাচীৰোপৰি দণ্ডায়মান হৈ এই সুৰম্য নগৰী ৰক্ষাৰ বাবে ৰাক্ষসসকলৰ সুদক্ষ কৌশল তথা অন্ধি-সন্ধিলৈ তীক্ষ্ণ দৃষ্টিৰে লক্ষ্য কৰি থাকিল। অকস্মাৎ এই চিন্তাৰে তেওঁৰ মন আচ্ছন্ন হৈ পৰিল যে—এইখন বিৰাট-বিশাল লংকানগৰীৰ এচুকতে শোকাহতা সীতাই আৰদ্ধ জীৱন যাপিছে। সীতাৰ অন্যায় বন্দী জীৱনৰ কথা ভাবি ৰামচন্দ্র শোক-তাপগ্রস্ত হোৱাৰ লগে লগে সুতীব্র ক্রোধান্ধও হৈ উঠিল। ৰামচন্দ্রই অকস্মাৎ উত্তেজিত কণ্ঠেৰে বানৰসকললৈ আদেশ কৰিলে, "হে মোৰ পৰমপ্রিয় বানৰ বন্ধুসকল! এতিয়া তোমালোকে তোমালোকৰ ইচ্ছামতে আৰু সাধ্য মতে শত্রু-সংহাৰ কৰি থাকা!"

বানৰসকলে বিৰাট বিৰাট বৃক্ষ উপাৰি আনি আৰু বিশাল বিশাল চটাচটে শিল হাতত লৈ, শ্রীৰামচন্দ্রৰ আদেশলৈ বাট চাই, আগৰেপৰাই প্রস্তুত হৈয়েই আছিল। ৰামচন্দ্রৰ আদেশ পোৱামাত্রেই যাৰ যি অস্ত্র শস্ত্র আছিল—লগত লৈ লংকানগৰীৰ সুউচ্চ

প্ৰাচীৰলৈ লাখে-বিলাখে লংকা নগৰীৰ ওপৰত তথা ৰাক্ষসকুলৰ ওপৰত জঁপিয়াই পৰিল, আৰু পাছ মুহূৰ্তৰেপৰা দুৰমুৰকৈ দুয়ো পক্ষৰ আক্ৰমণ আৰম্ভ হ'বৰ হ'ল।

*

বিভীষণে ৰক্ষাকৱচ বান্ধি লৈ নিজ-অনুচৰবিলাকক লৈ ৰামচন্দ্ৰৰ কাষত দণ্ডায়মান হৈ আছিল। গজ, গৱয়, গৱাক্ষ, গন্ধমাদন, আৰু শৰভ—নিযুক্ত আছিল বানৰসৈন্যৰ সুৰক্ষাত। এইদৰে মহাপ্ৰতাপী দুষ্টমতি ৰাৱণৰজাৰ বিৰুদ্ধে যুদ্ধাৰম্ভৰ বাবে পূৰ্ণ পয়োভৰেৰে প্ৰস্তুতি চলি থাকিল।

ৰাৱণেও এই একে সময়তে ৰণলৈ জঁপিয়াই পৰিবলৈ ৰাক্ষসসৈন্যক অনুমতি প্ৰদান তথা আদেশ প্ৰদান কৰিলে।

লগে লগে ৰাক্ষসসৈন্যসৰে সিংহনাদ কৰি উঠিল। ভেৰী বাজিল, দামামাৰ ধ্বনিয়ে লংকাৰ আকাশ-বতাহত ঢৌ তুলিলে, শংখ-নিনাদেৰে লংকা-নগৰী প্ৰকম্পিত হ'ল আৰু সমুদ্ৰ কল্লোলৰ দৰে ৰাক্ষস আৰু বানৰসৈন্যৰ কোলাহল শ্ৰুত হ'ল। লংকানগৰী যুদ্ধৰ উন্মাদনাৰে মুখৰ হৈ উঠিল। লংকাৰ দিশে দিশে যুদ্ধ-সজ্জাৰ প্ৰস্তুতি চলি থাকিল।

আৰু অৱশেষত উভয় পক্ষৰ মাজত এক অতি ভয়ংকৰ যুদ্ধ লাগি পৰিল।

*

ৰাক্ষসসকলে টাঙোন শূল কুঠাৰ আদিৰে বানৰক আক্ৰমণ কৰিলে, আৰু বানৰসকলে বিৰাট বিৰাট বিৰিখ, বিশালাকাৰ শিল আদি ৰাক্ষসসকললৈ দলিয়াবলৈ ধৰিলে আৰু জোঙা জোঙা নখেৰে আঁচুৰি ফালি ছিৰি তেজ উলিয়ালে।

ইপিনে—ইন্দ্ৰজিতৰ সৈতে অংগদৰ বিভীষণৰ অন্যতম মন্ত্ৰী সম্পাতিৰ সৈতে প্ৰজন্ধ নামৰ ৰাক্ষসবীৰৰ, হনুমানৰ সৈতে জম্বুমালীৰ দ্বন্দ্বযুদ্ধ লাগি পৰিল।

গজৰ সৈতে তপন নামৰ ৰাক্ষসে, নীলৰ সৈতে নিকুম্ভই আৰু সুগ্ৰীৱৰ সৈতে

প্ৰধস নামৰ ৰাক্ষসৰ সন্মুখ-সমৰ চলিল।

লক্ষ্মণৰ সৈতে বিৰূপাক্ষৰো ভয়াবহ তয়া-ময়া লাগিল।

এনেবোৰ দ্বন্দ্বযুদ্ধৰ ফলস্বৰূপে অসংখ্য ৰাক্ষস বীৰৰ মৃত্যু হ'ল। ইতিমধ্যে যদিও বেলি মাৰ গ'ল—তথাপি এই বিষম যুদ্ধৰ অন্ত নপৰিল।

ৰাক্ষসবিলাকে ৰণক্ষেত্ৰত ৰণত পৰা বানৰবিলাকক ধৰি ধৰি কেঁচাই কেঁচাই খাবলৈ ধৰিলে। বানৰসৈন্যয়ো বছা বছা ৰাক্ষস বীৰবিলাকক ধৰি ধৰি দাঁত আৰু নখেৰে পেট বুকু আদি ফালি পেলাবলৈ ধৰিলে। ৰামচন্দ্ৰ আৰু লক্ষ্মণেও বাণেৰে বহুতো বীৰ ৰাক্ষসক বধিলে।

অংগদে যেতিয়া ৰাৱণপুত্ৰ ইন্দ্ৰজিতৰ ৰথ—ৰথৰ সাৰথিৰে সৈতে ধ্বংস কৰিলে, তেতিয়া ইন্দ্ৰজিত মুহূৰ্ততে অদৃশ্য হ'ল আৰু অদৃশ্য অৱস্থাত ৰাম-লক্ষ্মণৰ কাষ চাপি তেওঁলোকৰ ওপৰত নাগাস্ত্ৰ প্ৰয়োগ কৰি নাগাস্ত্ৰেৰে দুয়োকো কটকটীয়াকৈ বান্ধি পেলালে।

এইদৰে, লুকায়িত অৱস্থাত ৰাম-লক্ষ্মণক বন্দী কৰাৰ পাছত ইন্দ্ৰজিতে তেওঁলোকক ক'লে, "মই মেঘৰ আঁৰত অদৃশ্য হৈ যুদ্ধ কৰি থাকিলে মোৰ আগত স্বয়ং ইন্দ্ৰও তুচ্ছ হৈ পৰে, তোমালোক সামান্য মানৱ কোন ছাৰ! মই এই মুহূৰ্ততে তোমালোকৰ প্ৰাণ-সংহাৰ কৰিম।" এই বুলি কৈ, ইন্দ্ৰজিতে সিংহনাদ কৰিবলৈ ধৰিলে।

ৰাম-লক্ষ্মণৰ দেহ নাগাস্ত্ৰ নামৰ বাণেৰে ঢাকি পৰিছিল, ইন্দ্ৰজিতৰ হাতত বাণেৰে থকা-সৰকা হৈ ৰামচন্দ্ৰ আৰু লক্ষ্মণ প্ৰায় মৃত্যুৰ মুখামুখি হৈ পৰিল।

হনুমান আৰু অন্যান্য উল্লেখযোগ্য বানৰ বীৰসকল ইন্দ্ৰজিতৰ চোকা চোকা বাণেৰে ধৰাশায়ী হৈ থকা ৰাম-লক্ষ্মণৰ চাৰিওফালে দণ্ডায়মান হৈ বিলাপ কৰিবলৈ ধৰিলে। শোকগ্ৰস্ত তথা অতিপাত ক্ৰুদ্ধ বানৰ-

সকলে ইন্দ্ৰজিতক চতুৰ্দিশে বিচাৰিবলৈ ধৰিলে, কিন্তু ক'তো-কেনিও দেখা নাপালে। কেৱল মায়া-বলেৰে বিভীষণেহে ইন্দ্ৰজিতক মেঘৰ আঁৰত হাঁহি থকা দেখা পালে। ৰাম-লক্ষ্মণৰ মৃত্যু হ'ল বুলিহে ইন্দ্ৰজিতে নিশ্চিতভাৱে ভাবি মেঘৰ আঁৰত তেনেকৈ হাঁহি আছিল।

বিভীষণৰ দৃষ্টিয়ে ইন্দ্ৰজিতক ঢুকি পোৱাত ইন্দ্ৰজিত চকুৰ পচাৰতে প্ৰাসাদলৈ বুলি গুচি গ'ল।

ৰাম-লক্ষ্মণৰ দেহ বাণেৰে থকা-সৰকা হোৱা দেখা পাই সুগ্ৰীৱ ভীত হৈ উঠিল। সুগ্ৰীৱে যেতিয়া ৰাম-লক্ষ্মণৰ শোকত অধীৰ হৈ অশ্ৰু বিসৰ্জন কৰি আছিল তেতিয়া বিভীষণে সুগ্ৰীৱক এই বুলি কৈ সান্ত্বনা দি থাকিল :

"হে সুগ্ৰীৱ, তুমি ভীত নহ'বা। যুদ্ধত এনেকুৱা ঘটনা নঘটা নহয়। সদায় একপক্ষীয়ভাৱে বিজয়ী হ'ব নোৱাৰি। ৰাম-লক্ষ্মণৰ কিন্তু মৃত্যু হোৱা নাই। তেওঁলোক মূৰ্ছকঁছহে গ'ল মাথোন। অলপ সময়ৰ পাছত তেওঁলোকে—পুনৰ চেতনা ঘূৰাই পাব বুলি আশা কৰিছোঁ।" এই বুলি কৈ, বিভীষণে সুগ্ৰীৱৰ চকুলো মচি দিলে। সুগ্ৰীৱ কথঞ্চিত শান্ত হ'ল।

* *

ইন্দ্ৰজিতে পিতাক ৰাৱণক ক'লে, "মই ৰাম-লক্ষ্মণক বধিলোঁ।"

শুনি মহাৰাজ ৰাৱণে সিংহাসনৰপৰা নামি আহি পুত্ৰ ইন্দ্ৰজিতক বুকুত আঁকোৱালি লৈ বাৰে বাৰে সুধি থাকিল যে—এনে অসম্ভৱ—অকল্পনীয় কাৰ্য্য কেনেকৈ তাৰদ্বাৰা সম্ভৱ হ'ল।

ৰাৱণৰজাই সীতাক পৰ দি ৰৈ থকা ৰাক্ষসিনীবিলাকৰ মাজত বছা বছা কেইজনীমানক মতাই অনালে আৰু সিহঁতক ক'লে, "তোমালোকে সীতাক কোৱাগৈ যে—মোৰ পুত্ৰ ইন্দ্ৰজিতে ৰাম আৰু লক্ষ্মণক বধ কৰিলে। লাগিলে—

সীতাক পুষ্পক বিমানত উঠাই তালৈ লৈ যাবা, আৰু ৰাম-লক্ষ্মণৰ মৃতদেহ দেখুৱাবা। আৰু তোমালোকে সীতাক বুজাই ক'বা—এতিয়া তেওঁ সামান্য নৰ ৰামৰ আশা চিৰতৰে ত্যাগ কৰি—ৰাছকবনীয়া সাজ-পাৰ পিন্ধি মোৰ কাষ চাপকহি—। —যোৱা, তুৰন্তে কোৱাগৈ।"

গাত বিজুৰ বা লগা মহাৰাজ ৰাৱণে উৎফুল্ল হৈ সমগ্ৰ লংকা নগৰী তেতিয়াই পুষ্পেৰে সজাবলৈ টানি আদেশ দিলে।

সীতাদেৱীয়ে ভূমিশয্যাত পৰি থকা ৰাম-লক্ষ্মণক দেখা পাই উচ্চৈঃস্বৰেৰে কান্দি উঠিল। ৰাম-লক্ষ্মণ যে সঁচাকৈয়েই মৰিল—এই কথা তেওঁ আগতে বিশ্বাসেই কৰিব পৰা নাছিল। কিয়নো—এসময়ত তেওঁক জ্যোতিষীয়ে কৈছিল যে তেওঁ পুত্ৰৱতী হ'ব; তেওঁ কদাপি বৈধব্য-যাতনা ভোগ নকৰিব, তেওঁৰ পতিয়ে অশ্বমেধ যজ্ঞ পাতিব, আৰু তেওঁ সম্ৰাজ্ঞী হৈ সিংহাসনতো উঠিব। সীতাদেৱীৰ ভৰিৰ তলুৱাত থকা পদ্মৰেখা চাই জ্যোতিষীয়ে এইদৰে কৈছিল।

সীতাদেৱীয়ে কান্দি কান্দি ভাবি থাকিল: জ্যোতিষীৰ কথা মিছা নে?

ঠিক তেতিয়াই ত্ৰিজটা নামৰ ৰাক্ষসিনীয়ে সীতাদেৱীক গুন-গুনকৈ ক'লে যে—ৰাম-লক্ষ্মণৰ মৃত্যু হোৱা নাই, তেওঁলোক মূৰ্চ্ছা হে গৈছে মাথোন।

কিছু সময়ৰ অন্তত ৰামচন্দ্ৰই চেতনা ঘূৰাই পালে। কিন্তু লক্ষ্মণক তেনেকৈয়েই ভূমিশয্যাত পৰি থকা দেখি ৰামচন্দ্ৰই ক'লে যে লক্ষ্মণ যদি জীৱিত হৈ নুঠে—তেন্তে স্বেচ্ছাই প্ৰাণত্যাগ কৰিব। আৰু তেতিয়া—সুগ্ৰীৱে সমস্ত বানৰ আৰু ভল্লুক সৈন্যক নিজ দেশলৈ ওভোতাই লৈ যাব লাগিব।

শ্ৰীৰামচন্দ্ৰৰ কথা শুনি সমগ্ৰ বানৰ-কুলে হুৱাওৱাকৈ কান্দিবলৈ ধৰিলে।





ছুলতানৰ বুদ্ধি

বহু বহু কালৰ আগৰ কথা। তেতিয়াৰ কালত এগৰাকী অতি ন্যায়ৱান ছুলতান আছিল। দুখীয়াৰো দুখীয়াই সুবিচাৰ নোপোৱালৈকে তেওঁ স্থিৰ নহৈছিল।

এদিন ছুলতানে আম-দৰবাৰত (ৰাজসভা) বহি থাকোঁতে এজন সাধাৰণ মানুহ তেওঁৰ ওচৰলৈ আহিল। মানুহজনৰ হাতত আছিল এটা মোনা।

ছুলতানে মানুহজনক সুধিলে, "তুমি কিবা বিপাঙত পৰা যেন পাইছোঁ কি লাগে তোমাক—নিৰ্ভয়ে কোৱা।"

"ছাহানছাহ! হুজুৰ আব্বাজান! মই হ'লোঁ এজন বেপাৰী, আৰু আপোনাৰ শাসনকালতে মই এক প্ৰতাৰণাৰ চিকাৰ হৈ পৰিছোঁ।" সেইবেপাৰী মানুহজনে ছুলতানক যি ক'লে, তাৰ সাৰমৰ্ম হ'ল:

এই বেপাৰীয়ে দুহেজাৰ সোণৰ মোহৰ এটা মোনাত ভৰাই লৈ আন এঠাইলৈ গৈ আছিল। এইখিনি মোহৰ আছিল তাৰ কঠিন শ্ৰমেৰে অৰ্জা ধন। সি য'লৈ গৈ আছিল—সেই ঠাইলৈ যাওঁতে ৰাতি হ'ব পাৰে, আৰু বাটত চোৰ-ডকাইত-লুটিয়াৰে মোহৰখিনি বলেৰে কাঢ়ি লৈ যাব পাৰে বুলি ভাবি মোহৰৰ মোনাটো নগৰৰ প্ৰধান কাজীৰ (বিচাৰক) ওচৰত থৈ গৈছিল। মোনাটোৰ মুখ মোহৰেৰে বন্ধ কৰা আছিল।

তাৰ পাছত, সেই ঠাইলৈ গৈ, কামখিনি কৰি, পুনৰ তাৰ থকা ঠাইলৈ ওভতোঁতে বেপাৰীয়ে কাজীৰপৰা মোহৰৰ মোনাটো খুজি ল'লে। ঘৰ পাই—মোনাটো খুলি চাই বেপাৰী অবাক হ'ল। মোনাটোৰ

'আৰব দেশৰ লোক-কথা'

ভিতৰত সোণৰ মোহৰৰ সলনি কিছুমান তামৰ টুকুৰা টুকৰা পাত মোহৰৰ আকাৰত আছে।

"মোনাটো ওভোতাই নিওঁতে তুমি মোনাটো ঠিকেঠাকে আছেনে নাই—দেখা নাছিলা ?" ছুলতানে সুধিলে।

বেপাৰীয়ে উত্তৰ দিলে,"হুজুৰ অব্বাজান, মোনাটো যেনেদৰে কাজী ছাহাবৰ ওচৰত থৈ গৈছিলোঁ, মোনাটো হুবহু তেনেকৈয়েই আছিল।"

"মোনাটোত মোহৰ মৰা আছিল যে —সেই ছিল-মোহৰ ঠিক আছিলনে ?"

"আছিল, হুজুৰ ! অলপো ইফাল-সিফাল হোৱা নাছিল।"

ছুলতানে কিছুপৰলৈ গভীৰভাবে ভাবিলে আৰু তৰ পাছত ক'লে, "ঠিক আছে, তুমি মোনাটো ইয়াত থৈ যোৱা। তোমাৰ এই বক্তব্য যদি সঁচা, তুমি নিশ্চয় সুবিচাৰ পাবা। কিন্তু—তুমি যদি এইবোৰ সাজি কৈছা—তেনেহ'লে তাৰ পৰিণাম কিন্তু মৃত্যু, এই কথাটো মনত ৰাখিবা।"

ছুলতানে গভীৰভাবে ভাবি থাকিল : মোনাটোৰ মুখ মোহৰবন্ধ আছে, কিন্তু ভিতৰত থকা বস্তুখিনি নোহোৱা হৈছে। —কেনেকৈনো এনে ঘটনা ঘটিল ?

হঠাৎ ছুলতানে এই ৰহস্যৰ এন্ধাৰত যেনিবা এচেৰেঙা পোহৰ দেখা পালে। তেওঁ তেওঁৰ মছনদৰ অৰ্থাৎ সিংহাসনৰ



অতি দামী লৰণু-কোমল দলিচাৰ দুই-তিন ঠাইত ছুৰীৰে কাটি দিলে।

পাছদিনা ৰাতিপুৱা ছুলতান ঘোঁৰাত উঠি চিকাৰলৈ ওলাই গ'ল।

ছুলতান ওলাই যোৱাৰ পাছত দৰবাৰ তথা সিংহাসন চাফা-চিকুণ কৰোঁতা অৰ্থাৎ চাফাইদাৰ কৰ্মচাৰীজনে সিংহাসন চাফা কৰিবলৈ ধৰিলে আৰু তেতিয়া সিংহাসনৰ দলিচাৰ সেই অৱস্থা দেখি তাৰ চকু চড়কগাছ! সি চাফাইদাৰে হেঁপাই-ফোঁপাই ছুলতানৰ প্ৰাসাদৰ প্ৰধান তত্বাৱধানকাৰীৰ ওচৰলৈ দৌৰি আহিল,। শুনি তত্বাৱধান-কাৰীয়ে চাফাই কৰোঁতাক ক'লে, "চিন্তা নকৰিবা। চবঠিক হৈ যাব। আমাৰ নগৰত মেহমেত নামৰ যিজন সুদক্ষ দৰ্জি আছে, তাক মাতি আনিলেই সকলো ঠিক হৈ যাব।"

চাফাইদাৰে মেহমেত দৰ্জিক লৈ আহিলগৈ। দৰ্জি মেহমেতে ক'লে, "ঠিক আছে, তোমাৰ মূৰৰ জিম্মা (দায়িত্ব) মই ল'ম, কিন্তু মোক দুটি সোণৰ মোহৰ দিব লাগিব। কটা দলিচা এনেকৈ যোৰা লগাম যে ছুলতানৰ কথা বাদেই দিয়া, আল্লায়ো কিজানি যোৰা ধৰিবলৈ টানেই পাব।"

বেলিয়েও লাহ দিলে, চিকাৰৰপৰা ছুলতানো উভতি আহিলে। আহি, ঘোঁৰাৰপৰা নামিয়েই তেওঁ পোনে

পোনেই দৰবাৰলৈ গ'ল। সিংহাসনৰ দলিচাখন পৰীক্ষা কৰি চাই তৰধেই মানিলে। তেওঁ নিজৰ চকুযুৰিকো যেনিবা বিশ্বাস কৰিব নোৱৰা হ'ল। তেওঁ যি কথা ভাবিছিল, সেয়ে হ'ল!

ছুলতানে তৎক্ষণাৎ চাফাইদাৰক মাতিলে আৰু তাক সুধিলে, "এই মছনদৰ (সিংহাসনৰ) দলিচাখন ৰাতিপুৱা কেনেবাকৈ কাটি গৈছিল, নহয় জানো?"

চাফাইদাৰ শলঠেকত লৰিল, কিন্তু তথাপি পোনে-গুছিয়ে ডুব মাৰিলে সি, "নহয় হজোৰ! ঠিকেই আছিল।"

"আৰে বেওকুফ! মোৰে আগত তই মিছা মাতিছনে? কালি ৰাতি মই নিজেই দেখোন কাটি থৈছিলোঁ মছনদৰ দলিচাখন। সঁচা ক'বি, নহ'লে মৰিবি। ক', এই দলিচা কোনে মেৰামত কৰিলে তুৰন্তে ক, নহ'লে দোজখৰ (নৰ্ক) বাট ল'।"

তেতিয়া চাফাইদাৰে সকলো কথা ছুলতানক এটা এটাকৈ কৈ দিলে।

ছুলতানে মাতিপঠোৱাত মেহমেত দৰ্জি তৎক্ষণাৎ উধাতু খাই আহিল। ছুলতানে মোনাটো দেখুৱাই সুধিলে, "ভালকৈ চাই-চিন্তি ক'বা। এই মোনাটো তুমি কেতিয়াবা দেখিছিলানে?"

মেহমেতে ক'লে, "হয়, ছাহানছাহ, আমাৰ বৰ কাজী ছাহাবে এই মোনাটোত থকা মোহৰ—ভঙাৰ আগৰ দৰে কৰি দিবলৈ মোক দিছিল।"

ছুলতানে তেতিয়া কাজীক বন্দী কৰি এপালি দিয়াত কাজীয়ে তাৰ গুনাহ (অপৰাধ) মানি ল'লে। ছুলতানে কাজীক তাৰ বয়সলৈ চাই মৃত্যুদণ্ডৰ সলনি তাক যাৱজ্জীৱন কাৰাদণ্ড বিহিলে।

বেপাৰীজনক ছুলতানে ছহেজাৰ সোণৰ মোহৰৰ সলনি পাঁচ হেজাৰ সোণৰ মোহৰ পুৰস্কাৰ হিচাপে আগ বঢ়াই অভিযোগৰ সুবিচাৰ কৰিলো।"



যি সঁচা ক'ব নাপায়

সুন্দৰপুৰ নামৰ গাঁৱত সুচৰিতা নামৰ এগৰাকী তিৰোতা আছিল। কিন্তু সুচৰিতা আছিল তাইৰ নামৰ বিপৰীত। তাই আছিল হাত-চোকা, কিন্তু বৰ মুখ-কাটন। কেনেবাকৈ কাজিয়াৰ গোন্ধ পালে তাইক আৰু একো নালাগিছিল, দিনৰ দিনটো মুখ খজুৱায়েই থাকিছিল।

সুচৰিতাৰ ননন্দেক আছিল সুচন্দ্ৰা।

সুচৰিতাহঁতৰ কাষতেই সুচন্দ্ৰাহঁতৰো ঘৰ। দন্দুৰী সুচৰিতাই সুচল পালেই সুচন্দ্ৰাক মুখ ফালি তীখা দিব, মুখ দি মুগ বচাব। সুচৰিতাৰ গিৰিয়েক শীতলে সকলো দেখিও সকলো শুনিও নিবোকা চামোনাটো হৈ থাকিব, সদায় মুখত পিঠা ভৰাই থকিব, ভোৰভোৰাই কি ক'ব কি নক'ব কোনেও তাৰ গম-গতি নাপাব।

এদিন সুচন্দ্ৰাৰ মেকুৰীজনীয়ে সুচৰিতাৰ পাকঘৰত লাকি-চুকি থৈ দিয়া গাখীৰখিনি চুৰ কৰি খোৱাত সুচৰিতাৰ উঠিল ফাই, লাগিল হাই। সুচৰিতাই সুচন্দ্ৰাক হাতেৰে নামাৰি মুখেৰে মাৰিবলৈ ধৰিলে। কত যে অবাইচ মাত মাৰিলে শাওপাত দিলে তাৰ সীমা নাই।

সুচন্দ্ৰাই ক'লে, "আমাৰ মেকুৰীজনীয়ে তোমাৰ যিমানখিনি গাখীৰ খালে তাৰ দুগুণে মই দিম। এতিয়া আৰু ঢপলা পিটিবলৈ কিনো আছে?"

এই কথাত জুই উঠি সুচৰিতাই চিঞৰি চিঞৰি ক'লে, "বোলোঁ হঞে— মইহেনে ঢপলা পিটিছোঁ—এনে কথা পাৰনে ক'ব ঐ খেকাৰখাতী-জহনীযাতি? তোৰ জিভাৰ যে হাড় নাই জানোৱেই

চেনেহী বৰঠাকুৰ

নহয়—জানো নহয়—এতিয়াই ডিঙিত টিপা মাৰি ধৰিলে জিভাখন ঘূৰাবি, তই জহন্নামৰ পেলুৱে চেলু বিচাৰি থাকিবি মুখত সোপা দিবলৈ —? সেইবোৰ চালাকিৰে মোক ভোল নিয়াব নোৱাৰিবি। গাখীৰ-তাখীৰ মোক একো নালাগে। তই তোৰ চৈতানৰ পোৱালি এই মেকুৰী-জনীক হাবিত থৈ আহিবিগৈ, তেহে মই ৰ'ম, নহ'লে তোৰ এৰণ নাই-সাৰণ নাই সেই কথা ক'মেই কম।"

সুচন্দ্ৰাই দৃঢ়তাৰে ক'লে, "সেই আশা নেছেল। কিয়নো মই মেকুৰীজনীক হাবিত থৈ আহিব লাগে—?"

তেতিয়া শীতলে নিজৰ ভনীয়েকক ডাবি মাৰি ক'লে, "কি হৈছে ক'চোন—? ৰাতিও পুৱাল আৰু এইবোৰ হাই-হুই—। চুপ থাক!"

সুচন্দ্ৰাৰ এইবাৰ উগ্ৰ খং উঠিল। তাই ককায়েকক ক'লে, "আহিল বৰ মতাটো। —তিৰীৰ ভুচুংটো। চুপ কৰাৰ লগে যদি নিজৰজনীক ক'গৈ যা। নহ'লে সদায় থকাৰ দৰে মুখৰ মাখি দেখিব নজনাটো হৈয়েই থাক।"

গিৰিয়েকক 'তিৰীৰ ভুচুং' বুলি কোৱাত খঙত জুই একুৰা হৈ সুচৰিতা গাঁৰৰ গাঁওবুঢ়াৰ কাষ চাপিল আৰু সুচন্দ্ৰাই তাইৰ ভৰিত ধৰি ক্ষমা প্ৰাৰ্থনা কৰিব লাগিব বুলি দাবী জনালে।

গাঁওবুঢ়াই সুচৰিতাক সুধিলে, "এই ঘটনাৰ সাক্ষী কোনোবা আছেনে?"

"আছে তো—? মোৰ ভাই সুখময় আৰু মোৰ দেৰৰ ৰসময় আছিল তাত।" সুচৰিতাই ক'লে।

সিহঁতক মতাই অনোৱা হ'ল। গাঁওবুঢ়াই প্ৰথমতে সুখময়ক সুধিলে, "সুচন্দ্ৰাই তোমাৰ ভিন্‌দেউক তিৰীৰ ভুচুং বুলি কোৱা তুমি শুনিছিলানে?"

"ওঁ, এবাৰ নহয়, তিনিবাৰ কোৱা শুনিছিলোঁ। আমাৰ ভিন্‌দেউ কিন্তু

তেনেকুৱা মানুহ নহয়, তেওঁ যথেষ্ট শক্তিবান। কিছু দিনৰ আগতে আমাৰ ঘৰৰ পিছফুৱাৰেদি চোৰ এটা সোমাই-ছিলহি। ভিন্‌দেৱে চোৰটোক গবা মাৰি ধৰি দলিয়াই পেলাইছিল। ধাৰলৈ লোৱা টকা উচুল কৰাত ভিন্‌দেউ যে কিমান টান মানুহ—গাঁৱৰ সকলোটিয়েই জানে। এইবোৰ বাৰু — তিৰীৰ ভুচুং হোৱাৰ লক্ষণনে?" সুখময়ে গাঁওবুঢ়াক সুধিলে। গাঁওবুঢ়াই মাৰি ৰসময়লৈ চাই সুধিলে যে তাৰ কিবা ক'বলগীয়া আছেনে কি।

"মই শীতলকাইক যিমান দিন ধৰি দেখি আহিছোঁ—তেওঁক বন্দুৱাবিলাকে ভয় কৰে। তেওঁ আগত থাকিলে কাম-বন ঠিকঠাককৈ কৰে হালোৱাবিলাকে। গতিকে—এনেকুৱা মানুহ এজনক তেনেকুৱাকৈ কোৱাৰ অৰ্থ কি—মই বুজা নাই।" ৰসময়ে ৰসতে নাম থ'লে।

তেতিয়া গাঁওবুঢ়াই সুচন্দ্ৰাক ক'লে, শুনিলাই নহয় এইবোৰ কথা? গতিকে—তুমি শীতলক অপমানজনক কথা কৈ কিয় বেইজ্জত কৰিলা—ক'বানে?"

সুচন্দ্ৰাই অলপো বিচলিত নোহোৱাকৈ ক'লে, "ককাইদেউ—মানি লৈছোঁ—এজন দৃঢ়মনা মানুহ. ধাৰৰ টকা উচুল কৰাত, হালোৱা-বন্দুৱাবিলাকক খটোৱাত অতি কঠোৰ। কিন্তু — নবৌ তাৰ আগত নাথাকিলেহে সি বাঘ. নহ'লে ছাগ!"

"শুনা, আমি প্ৰায় সকলোটিয়েই আচলতে তেনেকুৱা। মোকো তোমালোকে বাঘ দেখাদি দেখা—, কিন্তু ঘৰত ময়ো সেইটোৱেই। পিছে—এই কথা জানিবা যে সকলো সঁচা কব নাপায়, এই সঁচা একেবাৰেই ক'ব নাপায়। এইবাৰলৈ এৰিলোঁ, আগলৈ কেতিয়াবা যদি এই সঁচাৰ কাষদি গৈছা—মৰিছা বুলি জানিবা।"

গাঁওবুঢ়াৰ গৰখীয়া ধেমালি শুনি সকলোটিয়েই গিৰ্জনি মাৰি হাঁহি উঠিল।

উন্নতিৰ শিপা

কোনোবা এখন গাঁৱত ৰাম আৰু হৰি নামৰ দুজন বন্ধু আছিল। দুয়োজনেই আছিল ধনৰ দুখীয়া। অ'ত ত'ত ইকাম-সিকাম কৰি কথমপি পেট প্ৰৱৰ্তাইছিল।

এদিন এজনৰ মুখে শুনিলে যে নৰপুৰৰ জমিদাৰে হেনো তেওঁৰ কিবা কামৰ বাবে এজননে দুজনমান মানুহ ল'ব আৰু খোৱা-পিন্ধাৰ উপৰিও নগদে দৰমহাও দিব।

পাছদিনাই ৰাম আৰু হৰি নৰপুৰৰ জমিদাৰৰ ওচৰলৈ গ'ল। তাত জমিদাৰ ডাঙৰীয়াৰ চাকৰ এটাই তেওঁক ৰাম আৰু হৰি নামৰ দুজন যুৱক চাকৰি বিচাৰি অহাৰ কথা ক'লেগৈ। জমিদাৰ ডাঙৰীয়াই সিহঁতক মাতিও নপঠালে বা বহিবলৈকো নক'লে। জমিদাৰবাবুৰে সিহঁত দুজনক দেওবাৰে আহিবলৈ কৈ পঠালে মাথোন।

দেওবাৰৰ দিনা ধলপুৱা ৰাম টোপনিৰপৰা জাঁপ মাৰি উঠিয়েই টোপনিয়াই থকা হৰিক ক'লেগৈ। "জমিদাৰৰ ওচৰলৈ নোযোৱানে কি? উঠা—উঠা—।"

হৰিয়ে টোপনিৰ জেলেকা লগা চকুৰে চাই ৰামক ক'লে, "খৰখেদা কিহলৈনো?

"মই এতিয়াই যাম। যাবা যদি উঠা, ব'লা।" এই বুলি কৈ ৰামে খোজ ল'লে।

ৰাম গুচি যোৱাৰ এঘণ্টামানৰ অন্তত হৰি তালৈ গ'ল। ৰাম যে আগতেই আহিছে—সেই কথা জমিদাৰৰ চাকৰটোৱে জমিদাৰক কৈছিলগৈ। জমিদাৰে চাকৰটোক ক'লে, "দ্বিতীয়জন নাহিল কিয়—অহাজনক সুধি আহাগৈচোন।"

"সেইজন অলপ দেৰিকৈ আহিব বুলি এইজনে ক'লে।" চাকৰটোৱে ক'লে।

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'



"ঠিক আছে। যিজন আহিছে সেইজনকো ৰৈ থাকিবলৈ কোৱা।" জমিদাৰ ডাঙৰীয়াই চাকৰটোক ক'লে।

অলপ পাছত হৰিও আহিল। আহি ৰামক তাত ৰৈ থকা দেখা পাই ৰামক ক'লে, "তেতিয়াই কোৱা নাছিলোঁনে মই—? মোতকৈ আগতে আহি তুমি ভোদায়ে কিনো পালা, আৰু দেৰিকৈ আহি মইনো কি হেৰুৱালোঁ?"

ঠিক তেতিয়াই জমিদাৰ ডাঙৰীয়া তাত আহিল আৰু সিহঁত দুজনলৈ চাই ক'লে, "অ'—তোমালোকেই কাম বিচাৰি আহিছা, নহয় জানো? ঠিক আছে, এতিয়া তোমালোক যোৱাগৈ, বুধবাৰে আগবেলা আহিবা।"

ওভোতা বাটত হৰিয়ে ৰামক আকৌ ক'লে, "এই বেটা জমিদাৰনে জমাদাৰে আমাক হায়ৰাণ কৰি মাৰিলে। সি আমাক চাকৰি-বাকৰি নিদিয়ে।"

"আমাক কাম লাগে। এশ বাৰ মাতি পঠালেওবা কি লোকচান আমাৰ? কামটো দিলেই হ'ল।" ৰামে ক'লে।

কিন্তু বুধবাৰৰ আগবেলা ৰাম অকলেই, তালৈ গ'ল। হৰিও গ'ল, কিন্তু সি দুপৰীয়াৰ পৰতে খাই-বৈ জিৰাই-সঁতাইহে লাহে-ধীৰে তালৈ গ'ল।

আগবেলাতে অহা ৰামক জমিদাৰে দুপৰীয়াৰ পৰতে দেখা দিলে আৰু ৰামক তেওঁ ভাত খাবলৈকো মাতিলে। খোৱা-লোৱাৰ পাছত জমিদাৰে ক'লে, "কালিলৈ গধূলিৰ আগে আগে আহিবা। এতিয়া বাৰু ঘৰলৈকে যোৱা।"

ৰাম ঘৰমুৱা হ'ল। মাজ বাটত হৰিৰ সৈতে ৰামৰ দেখাদেখি। ৰামে সকলো কথা হৰিক ক'লে।

শুনি হৰিয়ে ক'লে, "মই প্ৰথমৰেপৰাই কোৱা নাছিলোঁনে যে সি বেটা জমিদাৰনে জমাদাৰে আমাক কোনো কাম-বন নিদিয়ে—? এটা মগনিয়াৰক এমুঠি

খুউৱাৰ দৰে তোমাকো এমুঠি খুৱাই এৰি দিলে বেটাই।"

"কালিলৈ গধূলিয়েই শেষ। তাৰ পাছত আৰু নাযাওঁ।" হৰিয়ে হনা ল'লে।

পাছদিনা গধূলিৰ আগে ৰাম আৰু হৰি জমিদাৰৰ ঘৰলৈ পুনৰ গ'ল, জমিদাৰৰ চাকৰেও পুনৰ জমিদাৰক খবৰ দিলেগৈ, আৰু পুনৰ ৰাম-হৰিক চাকৰটোৱে পুনৰ ক'লেহি, "বাবুৱে কৈছে—কালিলৈ আগবেলা আহিবা, তেতিয়া তেওঁ কথা পাতিব।"

হৰিয়ে দমদমাই উঠি জমিদাৰৰ চাকৰটোক ক'লে, "আৰে — কাম যে নিদিব — সেই নিদিবৰ দেওবাৰতে বুজিছিলোঁ। বলা ৰাম, ঘৰলৈ ব'লা।" এই বুলি কৈ, ৰামলৈ নৰৈ হৰি খিতাৰহে গুচি গ'ল।

জমিদাৰৰ চাকৰটোৱে এইবাৰ তাত কেৱল ৰামক পাই তাক টকা পাঁচিছটা দিলে আৰু ক'লে, "মালিকে বিছনা কিনি আনিবলৈ কৈছে তোমাক।"

ৰামে তুলি, বিছনাৰ চাদৰ আৰু গাঁৰু এটা কিনি আনিলে আৰু তাতেই সেই বিছনাতে ৰাতিছোৱা খপিলে।

পাছদিনা জমিদাৰ ডাঙৰীয়াই ক'লে, তোমাক মই মোৰ কামত ল'লোঁ। তুমি অহা সোমবাৰৰপৰা কামত যোগ দিবাহি। খোৱা-পিন্ধা বাদেও তুমি মাহেকত পঞ্চাছ টকাকৈ পাবা। তোমাৰ কাম হ'ব আমাৰ চুবুৰীয়া গাঁৱৰ খেতিয়কবিলাকৰপৰা আমাৰ শস্যৰ ভাগ আৰু নগদ ধন আদায় কৰা। এই কামৰ কাৰণে যথেষ্ট সহ্যশক্তিৰ আৱশ্যক। যদি ঠিক মতে কাম কৰিব পাৰা, তোমাৰ দৰমহা নিশ্চয় বঢ়াই দিম।"

কেৱল ধৈৰ্য্যৰ পৰীক্ষাৰেই ৰামে কাম পালে আৰু হৰিৰ হজ লৰিল। এইবাৰ হৰিয়ে উপলব্ধি কৰিলে—ধৈৰ্য্যয়েই হ'ল জীৱনত উন্নতিৰ শিপা।



বৰ্ণ-বিন্যাসৰ গুৰি-কথা!

ফ্লেমিংগো নামৰ ৰাজহাঁহ গাৰ বৰণ দেখাত গুলপীয়া বিধৰ। কিন্তু এইবিধ ৰাজহাঁহৰ এয়ে বৰণ বুলি ভাবি ল'লে ভুল হ'ব। এই ৰাজহাঁহবিলাকৰ খাদ্য সামুদ্ৰিক নীলা-সেউজীয়া শেলুৰে, ঘাঁহ-পাত আদি জীৱ নিয়াওঁতে সেইবোৰ খাদ্যৰ বৰণ গুলাপীয়াহেন হয় আৰু সেইহে খাদ্যপৰিপাক হোৱাবেকে হাঁহটোয়ো গুলপীয়া বৰণ লয়। আমিও বিলাহী খাই তেনেকুৱা বৰণধৰিবলৈ চেষ্টা দি চাব পাৰোঁ দেখোন...!

বিচিত্ৰ প্ৰকৃতিৰ বৈচিত্ৰ্য

জিৰাফৰ জিলি শুনি!

এন্দুৰ ৪.৫ ইঞ্চি দীঘল হয় আৰু ইয়াৰ বাজহাড়ত সাতখন হাড় থাকে। জিৰাফৰ ডিঙিএয়েই হ'ল ৭ ফুট দীঘল, গতিকে— জিৰাফৰ বাঅহাড়ত নিশ্চয় অসংখ্য হাড় থাকে, নহয়নে? কিন্তু এই ধাৰণা ভুল। জিৰাফৰ জিভা দীঘলে ১৮ ফুট। আমাৰ ৩ ইঞ্চি মাথোন। জিৰাফৰ গতি ঘোঁৰাতকৈয়ো অধিক। জিৰাফ দৌৰি যাওঁতে কোনো শব্দ নুঠে।



দীৰ্ঘজীৱি বিৰিখ ...

আপোনালোকে 'কন্‌স্টেব্‌ল্ ট্ৰি' নামৰ বিৰিখৰ কথা শুনিছেনে কেতিয়াবা! ১৫ শতিকত ফ্ৰান্সলৈ নৈ আহা এই বৃক্ষ হ'ল কমলটেঙাৰহে! এই বৃক্ষ ৪৭০ বছৰলৈ জীৱিত আছিল আৰু ফলও দিছিল। সাধাৰণভাৱে কমলা-টেঙাৰ গছ এশ বছৰতকৈ অধিক দিন জীয়াই নাথাকে।

Don't you owe the
See my tail It's out of a Fairy Tale
Nice 'n' funny I'm a Bunny
Foxy is my name But I'm oh-so tame
Your Bear Hugs are warmer than mine
Tonight y
Tomorr

little one a cuddles?
Give the Li'l Panda a Handa
I can't chase no mice But I'm soft 'n' nice
No carrots to eat But I'm a treat
u hug me tight
w I'll give you
ride
The CHANDAMAMA Collection of Soft Toys
CHANDAMAMA TOYTRONIX

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম ১৯৯২ চনৰ অগাস্ট সংখ্যাত প্ৰকাশিত হ'ব ।



M. Natarajan

M. Natarajan

ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দ কেইটাৰ মাজত ছন্দগতে

* মিল থাকিব লাগিব। ১৯৯২ চনৰ জুন মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব। উক্ত তাৰিখৰ পাছত অহা চিঠি গ্ৰহণযোগ্য নহ'ব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)

CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026·

১৯৯২ চনৰ এপ্ৰিল মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

প্ৰথম ফটো : ভয় আমাৰ নাই   দ্বিতীয় ফটো : আমি যাওঁ আগুৱাই

ছাদেক-উল-হুক, ৰয়্যাল ৰ'ড, যোৰহাট-১. অসম।

ভাৰতত বছৰেকীয়া বৰঙণি   চান্দমামা   ৪৮.০০ টকা মাথোন

বৰঙণিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :

Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

এটি কেছিঅ' কীবোৰ্ড থাকিলে আছে ছন্দৰ উত্তাল তৰঙ্গ। কিয়নো আপোনাৰ মনে বিচৰা সকলোবোৰ সঙ্গীতৰ আনন্দ আপুনি উপভোগ কৰিব পাৰে। বঢ়, আৰম্ভ কৰক। সঙ্গীতৰ তালে তালে গাই যাওক আপোনাৰ প্ৰিয় গীতসমূহ। দশোদিশ মুখৰিত কৰি তোলক ছন্দোময় গতিৰে।

SOUND KIDS

• ৩২টা মিনি কী • ২৫টা পিচিএম প্ৰীছেট টোন • ৩টা আৰএপি পেটাৰ্ন • অন্তৰ্নিহিত "স্ক্ৰেচ" ডিস্ক • ভইচ ইফেক্টৰ ফাংশন • ৩টা অন্তৰ্নিহিত এফেক্ট পেড • মিনি মাইক্ৰোফোন সংযোজিত।

• ৩২টা মিনি কী • ১০০টা পিচিএম প্ৰীছেট টোন • ১৫টা পিচিএম অটো ৰীদম • ১৩টা চুপাৰ একম্পেনিমেণ্ট বেকিং পেটাৰ্ন • ৫টা অন্তৰ্নিহিত ড্ৰাম পেড • ৫টা প্ৰীছেট ডেমনষ্ট্ৰেশন সুৰ • ডুৱেল স্পীকাৰ চিষ্টেম

• ৩২টা মিনি কী • ৪টা পিচিএম প্ৰীছেট টোন • আৰওএম পেক কম্পাটিবল • মেলডী বাৰ্ণিৰ সুবিধা • ৫টা অন্তৰ্নিহিত চাউণ্ড এফেক্ট পেড • ৩টা প্ৰীছেট ডেমনষ্ট্ৰেশন সুৰ • মিনি মাইক্ৰোফোন সংযোজিত • কঢ়িয়াব পৰা হেণ্ডেল।

CITY MUSIC CO., PTE LTD.
Singapore Tel: 3377058, 3377545

GENERAL ENTERPRISES COMPANY
U.A.E., Dubai Tel: 224131/2/3

ONFLO MUSIC CO., LTD.
Hong Kong Tel: 722 4195

MAHMOOD SALEH ABBAR CO.
Saudi Arabia, Jeddah Tel: (02)6473995

RAINBOW PHOTO FINISHERS PTE LTD.
Nepal, Kathmandu Tel: 221724

ARABIAN CAR MARKETING CO.,LTD.
Oman Tel: 793741

CASIO COMPUTER CO., LTD.
Tokyo, Japan

M-9111 RAPCI AS

CHANDAMAMA (Assamese) June 1992 Regd. No. TN/MS (S)/87

CLARION K-566A